চান্দমামা

অগাস্ট ১৯৮৯





Ramanand Sagar's
Ramayan
PHOTO COMICS
12 volumes. In Hindi and English
Chitrakatha Sagar Comics No. 1
Rs.5/-
Ramanand Sagar's
Ramayan
Legend has it that a herb gave new life to man.
ZANDU
Rs.5/- each
Published by
CHANDAMAMA VIJAYA COMBINES
188, N.S.K. Salai, Vadapalani, Madras-600 026.
Under licence from
SAGAR ENTERPRISES
Natraj Studios, 194, Andheri Kurla Road, Bombay-400 069.
Soon in Bengali, Oriya, Kannada, Tamil and Telugu
Vol. No.1 now available at news stands

হেণ্ডীপ্লাষ্টৰ পথেৰে আগুৱাই যাওক
হেণ্ডীবয়ক প্ৰয়োজন হেণ্ডীপ্লাষ্ট স্পট, ষ্ট্ৰীপ, পেচছ - তেওঁৰ দুখপোৱা ঘাঁ আদি ঢাকিবৰ বাবে। চাওকচোন ধৰিব পাৰে নেকি কোনটো ক'ত লাগেগৈ।
পথকেইটি মাত্ৰ অনুসৰণ কৰি যাওক আৰু হেণ্ডীবয়ৰ গাত ক'ত স্পষ্ট, ষ্ট্ৰীপ, পেচছ লাগিব আঁকি উলিয়াওক।
বন্ধুৰ দৰে ষ্ট্ৰীপ!
Handyplast®
medicated strips
HTA 1425
কাটি লওক, থৈ দিয়ক

চান্দমামা

অগাষ্ট ১৯৮৯

এই সংখ্যাত আছে

অমৰ-বাণী	:	৭
সম্বাদ-বি-সম্বাদ	:	৯
কথাৰ সাগৰ	:	১০
আপোন ভালেই ভাল	:	১১
দল টানিলে মাগুৰ	:	১৬
পিতা-পুত্ৰ	:	১৯
সাধুৰ দৰব	:	২৫
তত্ত্বজ্ঞান-বাস্তৱজ্ঞান	:	২৭
এক একেই নহয়	:	৩৩
নেহৰু-উপাখ্যান-৬	:	৩৫
ৰাজকুঁৱৰীৰ তুলাচনী	:	৩৯
কৃষ্ণাৱতাৰ	:	৪৩
দায় লাগিলে ভাঙে দায়	:	৫১
বহিব জানিলে	:	৫৬
'বিশ্বাসে মিলায় বস্তু	:	৫৮
প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে: ৩·০০ টকা মাথোন

বছৰেকীয়া বৰঙণি

৩৬·০০ টকা মাথোন

Everyday while a new India emerges, the existence and memory of the old one slowly fades.

The once-familiar sounds and sights, the beauty of Indian traditions and values, the ethnic and historical identity of its people, the once prolific art and handicrafts of rural India; a heritage is vanishing. Discover a part of that real India through the pages of The Heritage.

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

CMP-2155

Annual Subscription : Rs. 96.00

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras - 600 026.

মেগী ক্লাবে সকলো মেগী প্ৰেমীৰ বাবে আগবঢ়াইছে এই বছৰৰ নতুন উপহাৰবোৰ!

তোমাৰ উপহাৰবোৰ বিনামূল্যে লোৱাঁ!

তোমাৰ পচন্দৰ বিনামূলীয়া উপহাৰটো পাবৰ বাবে মেগী নুডল্‌সৰ 5 টা খালি পেকেটৰ সমুখৰ ফালে থকা এই মেগী চিহ্নটো (MAGGI 2-minute noodles) কাটি উলিয়াই আমালৈ পঠাই দিয়া। তুমি, 6 ৰ পৰা 8 সপ্তাহৰ ভিতৰতে মেগী ক্লাবৰ পৰা পঠোৱা ৰং-তামাচাৰে ভৰা উল্লাসদায়ক উপহাৰটো পাবা।

মনত ৰাখিবা ঃ

তুমি যদি মেগী ক্লাবৰ সদস্য তেন্তে আমালৈ চিঠি লিখোঁতে প্ৰতি বাৰেই তোমাৰ নাম -ঠিকনা আৰু সদস্যতা নম্বৰটো উল্লেখ কৰিবলৈ আৰু তোমাক কোনটো উপহাৰ লাগে জনাবলৈ নাপাহৰিবা।

তুমি যদি এতিয়াও মেগী ক্লাবৰ সদস্য হোৱা নাই তেন্তে আমালৈ লিখোঁতে তোমাৰ নাম - ঠিকনাটো জৰুৰ পঠাবা আৰু কোনটো উপহাৰ লাগে তাকো জনাবা।

I'M A MAGGI CLUBBER — MAGGI CLUB

HTA 6320 ASS

আমাৰ ঠিকনা: দি মেগী ক্লাব, পোষ্ট বক্স নং 5788, নতুন দিল্লী-110055

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চ ক্র পা ণি * বি নাগিৰেড্ডি

কিছুমান স্বাৰ্থানুসন্ধানী মানুহে মিঠা মিঠা কিন্তু ছলাহী কথাৰ ছেৰেৰে ভোল নিয়াই ভালক বেয়া বেয়াক ভাল বুলি দেখুৱাই, মুখৰ মেহাৰেৰে ভালৰি বোলাই আন মানুহক ঠগি নিজে ঠেং নচুৱাই কাল কটায় আৰু অন্যায় স্বাৰ্থসিদ্ধি কৰে। 'দল টানিলে মাগুৰ' নামৰ কাহিনীভাগ হ'ল তাৰ অন্যতম প্ৰকৃষ্ট উদাহৰণ। এই সংখ্যাৰ অন্যান্য গল্প-কাহিনীও সমানেই আকৰ্ষণীয়। সদৌটিলৈ শুভেচ্ছাৰে সৈতে।

অমৰবাণী

শাস্ত্ৰাণ্য ধীত্যাপি ভৱন্তি মূৰ্খা যস্তু ক্ৰিয়াবান পুৰুষঃ ন বিদ্বান।
সুচিন্তিতং ঔষধ মাতুৰাণো ন নামমাত্ৰেন কৰোত্য ৰোগম্ ॥

[বহু শাস্ত্ৰ অধ্যয়ন কৰাৰ অন্ততো যদি শাস্ত্ৰানুসাৰে আচৰণ নকৰা হয়, তেনেহ'লে মূৰ্খ বুলিয়েই ক'ব লাগিব। শাস্ত্ৰানুৰূপ আচাৰ-আচৰণ কৰিলেহে বিদ্বান বুলি ক'ব পাৰি। ঔষধে ব্যাধি নিৰ্মূল কৰে, ঔষধৰ নাম ল'লেই ব্যাধি নিৰ্মূল নহয়।]

বছৰ : ১৪ অগাস্ট ১৯৮৯ সংখ্যা : ৩

খনে : ৩'০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬'০০ টকা

CHITRA

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many



Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.



Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy: World Health Organisation

চান্দমামাৰ
সম্বাদ-বি-সম্বাদ

মানুহ-মহ-কথা

নিমজ এন্ধাৰতো মহবিলাকে কেনেকৈনো মানুহক দেখা পায় আৰু কামোৰে? গৱেষণাত দেখা গৈছে যে মানুহৰ দেহৰ উত্তাপ আৰু গোন্ধেই মহবিলাকক মানুহলৈ আকৃষ্ট কৰে।

ৰে’-চকুৰা

যিকোনো ডাক্টৰে আৱশ্যক হ’লে বেমাৰীক এক্স-ৰেৰে পৰীক্ষা কৰি চায়। কিন্তু চীনদেশৰ ৰাজধানী বেজিঙৰ ২৪ বছৰীয়া ডাক্টৰ ঝেন জিয়াংলিঙে মানুহৰ অ’কাটো শুদা চকুৰেই ফটফটীয়াকৈ দেখা পায়। তেওঁ কেতিয়াও এক্স-ৰেৰ ব্যৱহাৰ নকৰে। কিয়নো তেওঁৰ নিজৰ দৃষ্টিয়েই হুবহু এক্স-ৰেৰ কাম কৰে। সকলোপৰা এই গুণ থকা ৰে’-চকুৰা ডাক্টৰ জিয়াংলিঙৰ এই অভাৱিত গুণৰ কোনেও ব্যাখ্যা দিব পৰা নাই।

সেই ক্ষুদ্ৰতম মানুহজন আৰু নাই

স্কটলেণ্ডৰ টনি নামৰ পৃথিবীৰ ক্ষুদ্ৰতম মানুহজনে (২৯.৫ ইঞ্চি ওখ) ৬৪ বছৰ বয়সত ইহলীলা সামৰিলে!

ছাইকেলেৰে বিশ্ব-ভ্ৰমণ

বাংগালোৰৰ অধিবাসী ভেংকটেছ কামথ আৰু বালকৃষ্ণ নামৰ দুজন যুৱক এন্-চি-চি-ৰ সহযোগিতাৰে ৬০,০০০ কিল’মিটাৰ ভ্ৰমণ কৰিলে। তেওঁলোকে ছাইকেলেৰে ৩০,০০০ কিল’মিটাৰ আৰু বাকীখিনি বাট জাহাজ আৰু উৰাজাহাজেৰে ৯ মাহত ভ্ৰমণ কৰিলে। এওঁলোকে ২৫ খন দেশৰ মাজেদি গৈছিল। মিছৰৰ মৰুভূমিত এওঁলোকক ডকাইতে আগুৰি ধৰিছিল আৰু গান গাবলৈ কৈছিল। তেওঁলোকে ডকাইতইতক গান শুনাই সিঁহতৰপৰা ২০০০ পাউণ্ডৰ নগদ পুৰস্কাৰ লাভ কৰিছিল।

কথাৰ সাগৰ

এবাৰ পাঞ্চালদেশৰ ৰজাই পাণ্ড্যদেশৰ ৰজালৈ বাৰ্তা প্ৰেৰণ কৰিলে যে পাঞ্চালদেশৰ ৰাজধানীৰ এক বিৰাট অনুষ্ঠানত ভাষণ দিবলৈ এগৰাকী প্ৰধান বক্তা লাগে। গতিকে প্ৰধান বক্তা এগৰাকীক যদি তেওঁৰ পাঞ্চালদেশৰ ৰাজধানীলৈ পঠায়, তেওঁ কৃতজ্ঞ বোধ কৰিব। পাঞ্চালদেশৰ ৰজাৰ আচল উদ্দেশ্য আছিল পাণ্ড্যদেশৰ ৰজাই পঠোৱা প্ৰধান বক্তাক অপমান কৰি বিদায় কৰাটোহে।

পাণ্ড্যৰাজে তেওঁৰ মহামন্ত্ৰীক সুধিলে, "কাকনো পঠাওঁ তালৈ?"

"আৰুনো কাক, মহাৰাজ? আমাৰ বিদূষকেই এই কামৰ পক্ষে আটাইতকৈ দক্ষ।" মহামন্ত্ৰীয়ে ক'লে।

পাণ্ড্য ৰজাৰ বিদূষক অৰ্থাৎ বহুৱা মানুহজন আছিল প্ৰকৃত পণ্ডিত আৰু উপস্থিত বুদ্ধি থকা মানুহ আৰু লগতে সুবক্তাও।

মহামন্ত্ৰীয়ে খন্তেকমান ৰৈ আকৌ ক'লে, "আমাৰ বিদূষকৰ আগত কোনো শুনোতা থাককেই বা নেথাকক, তেওঁ ঘণ্টাৰ পাছত ঘণ্টা অনৰ্গল কৈ যাব পাৰিব, যি কামটি আন কোনোৱে নোৱাৰিব। তেওঁ হ'ল কথাৰ সাগৰ।"

পাণ্ড্যদেশৰ বিদূষক পাঞ্চালদেশলৈ গ'ল আৰু প্ৰায় জনশূন্য ৰাজসভাত ঘণ্টাৰ পাছত ঘণ্টা ধৰি বতাহৰ দৰে কথা কৈ ৰজাৰ কাণ ঘোলা কৰি থৈ নিজ ৰাজ্যলৈ উভতি আহিল।

পাঞ্চালৰ ৰজাই কদাপিও পাণ্ড্য-ৰজালৈ কোনো বা-বাতৰি ভুলতো পঠোৱা নাছিল।



আপোন ভালেই ভাল

পিতৃ স্বৰ্গী হোৱাৰ অন্তত ৰাজকোঁৱৰ সূৰ্য্যকান্ত স্বৰ্ণমুখীদেশৰ ৰজা হ'ল আৰু প্ৰজাবৎসল ৰজা হিচাপে সূৰ্য্যকান্তৰ সুনাম চাওঁতে চাওঁতে চাৰিদিশে বিয়পি পৰিল।

ৰজা সূৰ্য্যকান্তৰ সৌহাৰ্দস্বৰূপ এজন পৰম বন্ধু আছিল সুমন্ত। তেওঁ সকলো কথাত বন্ধু সুমন্তৰ পৰামৰ্শ লয় আৰু সুমন্তৰ সুবিবেচনামূলক দিহা-পৰামৰ্শ তথা সিদ্ধান্ত মানিও চলে।

এদিন চিকাৰলৈ ওলাওঁতে ৰজাক ৰাণীয়ে ক'লে, "মহাৰাজ আপুনি আজি অলপ সোনকালে উভতি আহিবনে? আজি হ'ল মোৰ জন্মদিন।"

এই বিষয়ে বন্ধু সুমন্তই ৰজা সূৰ্য্য-কান্তক ক'লে, "পত্নীহঁতে স্বামীহঁতৰ ওপৰত সদায় আধিপত্য বিস্তাৰ কৰিবলৈ চেষ্টা চলায়। এতেকে — কোনো বুদ্ধিমান মানুহেই পত্নীৰ কথাত অধিক গুৰুত্ব দিয়া উচিত নহয়; কিয়নো তেনে কৰিলে জীৱনৰ জটিলতাহে বাঢ়িব, আন কোনো লাভ নহ'ব। পত্নীৰ কথাত গুৰুত্ব নিদিয়া-হ'লেহে আগলৈ সুবিধা হ'ব।"

ৰজা চিকাৰৰপৰা দেৰিকৈ অহাত ৰাণীৰ খং উঠিছিল, আৰু ৰাণীয়ে ঠেহ পাতিছিল। ৰজায়ো দুদিনমান নমতা-নোবোলাকৈ আছিল। তাৰ পাছত ৰাণীয়েই পৰাজয় মানি ৰজাক কৈছিল, "মোৰ আচৰণত যদি আপুনি যদি মনত দুখ পাইছে, মোক ক্ষমা কৰক।"

এইবাৰ সূৰ্য্যকান্ত ৰজাই ভাল পালে, আৰু মনতে বন্ধু সুমন্তৰ শলাগ ল'লে।

কিছুদিনৰ অন্তত ৰাণী চন্দ্ৰমতী সন্তান-



সন্তুৰা হ'ল। তেতিয়া ৰজাই ৰাণীক ক'লে, "তুমি সন্তান-সন্তুৰা হোৱাত মই আনন্দিত। তোমাক কি লাগে কোৱা।"

চন্দ্ৰমতীয়ে মূল্যৱান মণি-মুকুতা-খচিত হাৰ এডাল খোজাত ৰজায়ো ভাল পালে। পাছত এই কথা শুনি বন্ধু সুমন্তই ৰজাক ক'লে, "বন্ধু, পত্নীহঁতৰ এনেবোৰ চাহিদাৰ সীমা নাই। এনেকৈ দি থাকিলে—দিয়েই থাকিব লাগিব। ক'লে বুলিয়েই মূল্যৱান তথা আচল মণি-মুকুতাৰ হাৰ নিদিব। কম দামৰ নকল জোঁৱাহিৰেই কাম চলাই দিয়া।"

বন্ধু সুমন্তৰ পৰামৰ্শমতে ৰজাই নকল জোঁৱাহিৰ মালা পত্নীক আনি দিলে আৰু পত্নী যে যথেষ্ট ক্ষুণ্ণ হ'ল, সেই কথাটোও মহাৰাজে বুজি পালে।

আন এদিন ৰজা সূৰ্য্যকান্তই বন্ধু সুমন্তৰ সৈতে বহি পাশা খেল খেলি থাকোঁতে লিগিৰী এজনীয়ে ৰজাক ক'লেহি যে ৰাণীমাৰ মূৰৰ কামোৰণি উঠিছে, আৰু মহাৰাজক এতিয়াই অলপ মাতিছে।

লগে লগে ৰজাই অন্তেষপুৰলৈ যাবলৈ লওঁতেই বন্ধু সুমন্তই ৰজাক কাণে কাণে ক'লে, "শুনা বন্ধু, জগতৰ সকলো পৰিবাৰেই এনেকুৱা। বিভিন্ন অজুহাত দেখুৱাই পতিৰ পৰীক্ষা লয়। এইবোৰত লাই দিলে আগলৈ ফল বিষম হ'ব পাৰে। এনেকৈ খৰধৰকৈ নগৈ লাহে-ধীৰে গ'লেই ভাল হ'ব।"

ৰজাই বন্ধুৰ পৰামৰ্শমত বেয়া নাপালে। আৰু — ৰাণীয়ে মাতি পঠোৱামাত্ৰেই বহাৰপৰা উঠি দিয়াত যেনিবা অলপ লাজো পালে। তেওঁ লিগিৰীজনীক ক'লে, "বাৰু, তুমি যোৱা, মই অলপ পাছত গৈছোঁ বুলি কোৱাগৈ।"

লিগিৰীজনীয়ে কথাটো ৰাণীক ক'লেগৈ, "মহাৰাজে তৎক্ষণাৎ আহিব ধৰিছিল, পিছে—তেওঁৰ বন্ধু সুমন্তডাঙৰীয়াই কিবা কোৱাতহে ৰৈ দিলে।"

ৰাণী চন্দ্ৰমতীয়ে লিগিৰীৰ কথা শুনি সুমন্তৰ সম্পৰ্কে ভাবিবলৈ ধৰিলে আৰু মহামন্ত্ৰী ধৰ্মাচৰণক মতাই অনাই সুধিলে, "মহামন্ত্ৰী, আমাৰ মহাৰাজে দেশৰ আৰু পাৰিবাৰিক সমস্যাৰ বিষয়ত আপোনাৰ সৈতে আলোচনা কৰেনে ?"

মহামন্ত্ৰী ধৰ্মাচৰণে মুহূৰ্তমানৰ বাবে তভক খাই ৰৈ দিলে আৰু তাৰ পাছত ক'লে, "মহাৰাজে তেওঁৰ পৰম বন্ধু সুমন্তৰ ওপৰতহে অধিককৈ নিৰ্ভৰ কৰে।"

তাৰ পাছত ৰাণী চন্দ্ৰমতীয়ে সুমন্তৰ পাৰিবাৰিক জীৱনৰ বিষয়ে খা-খবৰ ল'লে, আৰু জানিব পাৰিলে যে সুমন্তৰ পৰিবাৰ হ'ল অতি বদ্‌ৰাগী তিৰোতা আৰু তাই তাইৰ ইচ্ছামতে কাম-বন কৰে, গিৰিয়েক ঘৈণীয়েকৰ মাজত সদ্ভাৱ নাই, সদায় কাজিয়া লাগিয়েই থাকে — ইত্যাদি। সুমন্তৰ ছুটা ল'ৰা, এটা উদণ্ড আনটো মোটৰ ওপৰত ভাল—ইত্যাদি ইত্যাদি।

এদিন ৰাণী চন্দ্ৰমতীয়ে ৰজাক ক'লে, "আপুনি নিজেই মোক মোৰ ইচ্ছামতে উপহাৰ খুজিবলৈ কোৱাত মই ভালৰো ভাল মণি-মুকুতাৰ মালা এধাৰি খুজিছিলোঁ। কিন্তু আপুনি আপোনাৰ কথা নাৰাখিলে ; মোক দিলে নকল জোঁৰাহিৰ মালা ! মোৰ জন্মদিনত অলপ সোনকালকৈ চিকাৰৰপৰা ঘুৰিবলৈ কোৱাতো আপুনি যথেষ্ট অৱহেলা প্ৰদৰ্শন কৰিলে। মই অসুস্থ—এই খবৰ পঠোৱাতো আপুনি পাশা খেল এৰি নহা হ'ল। —এইবোৰ ঘটনাৰ হেতুনো কি ? অহুকাণে-পহুকাণে শুনা কথা—এইবোৰৰ আঁৰত হেনো আন কাৰোবাৰ দিহা-পৰামৰ্শ আছে। —সঁচানে এই কথা ? যদি মই সঁচা কথা কোৱা নাই—মোক শাস্তি দিয়ক, বা সংশোধন কৰক। আৰু যদি মোৰ অভিযোগ সঁচা—তেনেহ'লে মোক সকলো কথা খুলি-মেলি কওক।"

শুনি ৰজা সূৰ্য্যকান্ত অবাক হ'ল।



ৰক্ষা কৰিব নোৱৰা হয়, বা ভাল-বেয়া চালি-জাৰি নোচোৱাকৈ কাম কৰা হয়— সেইগৰাকী ৰজাৰ দেশখনৰো বা ভৱিষ্যৎ কি হ'ব—তেনেকুৱা ভাৰ-চিন্তাও হ'বই।"

পত্নীৰ বুদ্ধিমত্তাৰ পৰিচয় পাই ৰজা সূৰ্য্যকান্তই ক'লে, "মই মোৰ পৰম বন্ধু সুমন্তৰপৰা দিহা-পৰামৰ্শ লওঁ। মোৰ ধাৰণা সুমন্তই মোৰ ভালৰ কাৰণেহে মোক দিহা-পৰামৰ্শ দিয়ে।"

ৰাণী চন্দ্ৰমতীয়ে লাহেকৈ ক'লে, "মহাৰাজ! বন্ধুৰ পৰামৰ্শ লোৱাটো বেয়া নহয়, ভালেই; কিন্তু যিজনে নিজেই সদায় সমস্যাত সাঙোৰ খাই থাকে, সেই জনৰ পৰামৰ্শেৰে আনৰ সমস্যাৰ সমাধান কিমানলৈ হ'ব—সেই কথাৰো ভু লোৱা আৱশ্যক। কিয়নো কেতিয়াবা কেতিয়াবা অনিভজ্ঞয়ো বিজ্ঞতাৰ ভাও জুৰিব পাৰে, কিন্তু তাৰে সমস্যাত আউলহে লাগি যায়, ন ন সমস্যাৰহে উদ্ভৱ হয়।"

ৰজাই ৰাণীক ক'লে, "তোমাৰ বক্তব্য খোলোচাকৈ কোৱা।"

ৰাণীয়ে তেতিয়া ৰজাক ক'লে, "আপুনি আপোনাৰ পৰম বন্ধু সুমন্তক এই প্ৰশ্নকেইটা কৰিব।" চন্দ্ৰমতীয়ে প্ৰশ্নকেইটা ৰজাক বুজাই ক'লে।

পাছদিনা ৰজাই উদ্যানত ভ্ৰমি তেওঁ ক'লে, "তোমাৰ কথাখিনি— মানিবই লাগিব—আখৰে আখৰে সঁচা। —কিন্তু তুমি বুজিলানো কেনেকৈ?"

ৰাণী চন্দ্ৰমতীয়ে ক'লে, "নুবুজিমনো কিয়? যিয়েই নহওক—মই আপোনাৰ পত্নী। আপোনাৰ মনৰ কথা কিয় মই নুবুজিম? আপুনি যে ইমান ভাল! কিন্তু সেই ভালৰো ভাল মানুহজনেও যেতিয়া মোৰ কোনো অনুৰোধ ৰক্ষা নকৰে, তেতিয়া—মাজত নিশ্চয় কোনোবা-কুমুবি থকা বুলি অনুমান কৰাটো বৰ কষ্টৰ বিষয় নহয়। আৰু এগৰাকী ৰজাই যদি নিজৰ পত্নীৰ সৈতেও প্ৰতিশ্ৰুতি

থাকোঁতে সুমন্তক সুধিলে, "বন্ধু, তোমাৰ ল'ৰা ছুটিয়ে কি কৰে? সিহঁতনো কেনে?"

"ডাঙৰটো—অলপ উৎপতীয়া—উদণ্ড। সৰুটো—বেয়া নহয়। ভালেই বুলিব পাৰি, সি কথা শুনে।" সুমন্তই ক'লে।

ৰজাই খন্তেকমান তভক খাই থাকি পুনৰ সুধিলে, "সিহঁত ছুটাই যদি তোমাৰ কথা নুশুনা-নমনা হয়—কি কৰিবা?"

"চৰিয়ালেই শুনিব। আৰু সৰুটো ডাবি মাৰিলেই কাতি হৈ পৰিব।" সুমন্তই সূৰ্য্যকান্তক ক'লে।

তেতিয়া ৰজাই বন্ধু সুমন্তক ক'লে, "বন্ধু, মোক যে তুমি দিহা-পৰামৰ্শ দিয়া—ভালকৈ ভাবি-চিন্তি দিয়ানে? তুমি যদি নিজৰ সমস্যাৰ সমাধানেই কৰিব নোৱাৰা, মোৰ সমস্যাৰ সমাধাননো কেনেকৈ কৰা? —মোৰ পৰিবাৰে মোক এই কথা কয়।"

অবাক হৈ পৰা সুমন্তই ৰজাক ক'লে, "বন্ধু, তোমাৰ পৰিবাৰৰ কথাত মই অবাক মানিছোঁ। তুমি যে যোগ্যপত্নী লাভ কৰিছা, সন্দেহাতীত সত্য। এতিয়াৰপৰা তুমি আৰু মোৰপৰা দিহা-পৰামৰ্শ নুখুজিবা। মোৰ অযোগ্যতাক তোমাৰ যোগ্য পত্নীয়ে উদঙাই দিলে।" এই বুলি কৈ, তাত আৰু নৰৈ, সুমন্ত তৎক্ষণাৎ গুচি গ'ল।

পাছত—ৰজাই সকলো কথা কোৱাত ৰাণী চন্দ্ৰমতীয়ে ক'লে, "মহাৰাজ! সুমন্তৰ পৰিবাৰ হ'ল আপোন ইচ্ছাই চলা তিৰোতা। তেওঁ নিজৰ স্বামীকো বিশ্বাস নকৰে, স্বামীয়েও পৰিবাৰক বিশ্বাস নকৰে। আৰু—সেই কাৰণেই — যিহেতু নিজৰ পৰিবাৰ ভাল নহয়, সিহেতুকে আনৰ পৰিবাৰলৈকো আপোনাৰ বন্ধু শ্ৰদ্ধাহীন। যাৰ আপোন ভাল — তাৰ জগতো যে ভাল, জানেই।"

মহাৰাজ সূৰ্য্যকান্তই তেতিয়াহে তেওঁৰ দাম্পত্য জীৱনৰ বেয়া দিশৰ উৰহীৰ ওৰটো বিচাৰি পোৱা হ'ল।



দল টানিলে মাগুৰ

শাসন ব্যৱস্থাক নতুনকৈ গঢ়ি তুলিবৰ মনেৰে মাতংগদেশৰ ৰজাই দেশখনক বাৰ ভাগত ভগালে আৰু বাৰ ভাগৰ খা-খবৰৰ বাবে বাৰ ভাগত বাৰ জন মানুহক ৰাজ-প্ৰতিনিধি পাতিলে। এই বাৰজনৰ মাজত ছুনিবল আছিল একেবাৰে দশৰথৰ এগছ কুটা ছুগছ নকৰা বিধৰ ধোদৰ পচলা।

আন এঘাৰজনে নিজ নিজ অঞ্চলত ঘূৰিফুৰি বা-বাতৰি গোটাই-পিটাই ৰজাক খবৰ দিছিল; কিন্তু ছুনিবলে মল্লপুৰত প্ৰায় শুই-বহিয়েই খবৰ-বাতৰি গোটোৱাৰ চেষ্টা কৰিছিল। ধোদৰ পচলা ছুনিবলৰ কথা হ'ল যে—খবৰ বিচাৰি তেওঁ নোলাব, খবৰক যদি লাগে—খবৰেহে তেওঁক বিচাৰি ওলাব লাগিব।

কিন্তু এদিন ছুনিবলৰ এই ফুটনিৰ প্ৰতিবাদ কৰি এজন মানুহে বিভিন্ন প্ৰশ্ন ৰাইজৰ আগত দাঙি ধৰিলে।

এই মানুহজনৰ নাম আছিল কোলাহল। কোলাহলে ৰাইজৰ আগত প্ৰশ্ন দাঙি ধৰিলে: ছুনিবল হ'ল ৰজাৰ প্ৰতিনিধি। নিজৰ অঞ্চলত ঘূৰি ঘূৰি বাস্তৱ অৱস্থাৰ বুজ-বাজ লোৱাটোৱেই হ'ল তেওঁৰ কাম। কিন্তু সেই কামলৈ পিঠি দি তেওঁ মল্লপুৰতে শুই-বহি খবৰ-বাতৰি পাবলৈ বৈ থাকিব। ছুনিবলৰ এই কাম হ'ল ধোদামি আৰু লগতে ফালেঙীয়া কাম। তেওঁ হ'ল ছুনিবল; কিন্তু তেওঁ আমাৰ ওচৰলৈ নাহিব, আমি উনিবলহঁতেহে তেওঁৰ কাষ চাপিবগৈ লাগিব! কিয় তেওঁ আমাক মতাই পঠাব? কিয় যাম আমি? খবৰ

দিবলৈ যাবলৈ হ'লে আমি পোনে পোনেই ৰজাৰ ওচৰলৈকে যাম। আৰু আমি ৰজাক খবৰ-বাতৰি দিয়াৰ লগে লগে এই ধোদৰ ৰজা তুনিবলৰ বিৰুদ্ধে মহাৰাজৰ ওচৰত অভিযোগো তৰিম।" এইবোৰ কথাৰে কোলাহলে ৰাইজৰ মাজত উত্তেজনাৰ সৃষ্টি কৰিলে।

কোলাহলৰ কথা শুনি গাঁৱৰ ৰৰমূৰীয়াসকলে ভাবিলে ঃ এতিয়া দেখিছোঁ—কথা বিষমেই। এক ৰৰাই ধান খাই এক বৰাই হান—বিধৰ হ'ল দেখিছোঁ। তুনিবল হ'ল ৰজাৰ মানুহ, আৰু কোলাহল হ'ল বজৰুৱা। কাক ৰাখোঁ, কাক এৰোঁ? তুনিবলৰ প্ৰতিনিধি হিচাপে যিজন মানুহ গাঁৱলৈ আহিছিল, গাঁৱৰ বৰমূৰীয়াইঁতে তেওঁক ক'লে, "শুনক, ৰজাৰ প্ৰতিনিধি তুনিবল ডাঙৰীয়াই কিন্তু নিজৰ কাম ঠিকমতে কৰা নাই। তেওঁ যদি তেওঁৰ কৰ্তব্য ঠিকমতে নকৰা হয় আমিয়েইবা কিয় কৰিম? আমি—যেতিয়াই-তেতিয়াই ৰজাৰ কাষ চাপিব নোৱাৰোঁ নহয়? আমাৰো বহুত লেঠা।"

ইপিনে হ'ল কি—কোলাহলৰ পৰিবাৰে কোলাহলক থেকেচিলে। পৰিবাৰে ক'লে যে ঘৰৰ ঘৰৰ খাই বনৰ ম'হ খেদাৰ কোনো সকাম নাই। এক কিল মাৰি সাত কিল খোৱা কাম এৰক।

কোলাহলে তেওঁৰ পৰিবাৰক এই কথা বুজাবলৈ চেষ্টা কৰিলে যে মানুহ হৈ জনমি অন্যায়ৰ প্ৰতিবাদ নকৰিলে পাপে ছুব, আৰু তেতিয়া এইখন মনোমোহা পৃথিৱীতে নৰকৰ সৃষ্টি হ'ব।

যি কি নহওক—পাঁচ দিনৰ পাছত তুনিবলৰ প্ৰতিনিধিয়ে ৰাইজক ক'লেহি যে—তুনিবল ডাঙৰীয়া অত্যন্ত অসুস্থ হৈ পৰিছে। সেই কাৰণেই তেওঁ মল্লপুৰৰপৰা ৰাইজৰ মংগলামংগলৰ খবৰ-বাতৰি সংগ্ৰহ কৰিব ধৰিছে। তেওঁৰ অনুৰোধ, তেওঁৰ অসুস্থতাৰ কথা বিবেচনা কৰি আপোনা-

লোকে দলে-বলে তেওঁৰ ওচৰলৈ গৈ নিজ নিজ গাঁৱৰ কথা ক'ব। এই অঞ্চলৰ সকলো সমস্যাৰ সমাধান কৰল প্রতি-বাদেৰেই নহয়, উত্তেজনাৰে নহয়, আলোচনাৰ যোগেদিহে সমাধান ওলাব।"

তুনিবলৰ অসুস্থতাৰ কথা জানি আৰু তেওঁৰ বক্তব্য শুনি গাঁৱৰ বৰমূৰীয়াহঁত চিন্তাত পৰিল। তেওঁলোকে ভাবিলে: কোলাহলক যদি কোৱা হয় তুনিবলৰ ওচৰলৈ যাবলৈ, নিশ্চয় কোলাহল নাযাব। নাযাব যে নাযাবই —অমোকো যাবলৈ বাধা দিব আৰু ৰাইজৰ মান-সন্মানৰ প্রশ্ন আমাৰ নাকৰ ওপৰত দাঙি ধৰিব।

তথাপি—গাঁৱৰ চাৰিজনমান বৰমূৰীয়া কোলাহলৰ কাষ চাপিল আৰু তেওঁক নানা ধৰণে বুজাই-বৰাই তুনিবলৰ ওচৰলৈ যাবলৈ মান্তি কৰালে।

প্রতিবাদলৈ নিজৰ পৰিবাৰৰ আপত্তি, গাঁৱৰ বৰমূৰীয়াহঁতৰ অনুৰোধ—ইত্যাদি এৰাব নোৱাৰি কোলাহলেও তুনিবলৰ ওচৰলৈ যোৱাটোকে সাব্যস্ত কৰিলে।

এই বাতৰিটি পাই তুনিবলে বৰ ভাল পালে। কোলাহল আহিব বুলি শুনি তুনিবলৰ গাৰ বল হঠাৎ বাঢ়ি গ'ল। তেওঁ নিজৰ প্রতিনিধিৰূপে ৰাইজৰ ওচৰলৈ পঠোৱা মানুহজনে তেওঁক ক'লে, "আপোনাৰ কথা আখৰে আখৰে পালন কৰিছোঁ। কেৱল গাঁৱৰ বৰমূৰীয়াসলকলৈকে নহয়, গাঁৱৰ সকলোকে আপোনৰ কথা-খিনি বুজাই কৈছোঁ। আপোনাৰ বক্তব্যই যে এনে মন্ত্ৰৱৎ কাম কৰিব—ভাবি পোৱা নাছিলোঁ।"

এই কথাৰ উত্তৰত তুনিবলে ক'লে, "টান কাম বুলি টেটাই থাকিলেই তো নহ'ব, লগতে এই কথাটিও জানিব লাগিব যে—দল টনাৰ কিটিপ জানিলেহে মাগুৰ খাব পাৰি। কেৱল সাত হাঁকোটা মেলিলেই সকলো কাম নহয়।"

পিতা-পুত্ৰ

২

সূৰ্য্যপ্ৰসাদে
আলমাৰীৰ চাবিপাত
তন্ন তন্নকৈ বিচাৰি থাকিল
আৰু সত্যনাৰায়ণে চুপচাপ থিয় হৈ
থাকি সূৰ্য্যপ্ৰসাদৰ কামৰ আলেখ-লেখ লৈ
থাকিল। তাৰ পাছত এসময়ত কৈ উঠিল. "হেই.
আলমাৰীৰ চাবি ক'ত আছে ক' পাৰনে কি? দেখিছ
তই ক'বাত?" সত্যনাৰায়ণে টপৰাই কৈ উঠিল, "মই ভালকৈ থৈ
দিছোঁ।" দাং খাই উঠি সূৰ্য্যপ্ৰসাদে তেওঁৰ পুতেকক ক'লে. "আলমাৰীৰ
চাবি তই কিয় ল'বি? তোৰনো কি সকাম আছে আলমাৰীৰ চাবিৰে? "শুনা.
তুমি মোৰ মান ৰাখি কথা ক'বা কৈছোঁ। ইমান্ দিন তুমি যেনেকৈ'
যি কৈছা-কৰিছা. তেনেকে' আৰু একদম্ নেহি চলেগা কৈছোঁ।
এতিয়াৰপৰা ঘৰখনত কি লাগে-নেলাগে মইহে
চোৰা-চিংতা কৰিম। মই এতিয়াৰপৰা
ঘৰমে ৰহেগা, আৰু তুমি যায়েগা
পঢ়াশালিলৈ, যাই বেতৰ কোব
খায়েগা, গম পায়েগা।"
সত্যনাৰায়ণে
ক'লে।

'চান্দমামা'.



পিটিকা দিয়া পণ্ডিতৰ পঢ়াশালিলৈ।”

“তেতিয়া পণ্ডিতে ইয়াৰেপৰাই বেত মাৰি মাৰি গৰু কোৱাৰোদি কোবাই কোবাই লৈ যাবহি দেখেগা।” সত্য-নাৰায়ণে মহাফুৰ্তিৰে ক’লে।

তেতিয়া দেউতাক সূৰ্য্যপ্ৰসাদে ভোৰ-ভোৰালে, “মোৰ কপালতো—ইমান লটি-লাঞ্ছনা থাকিব পায়নে?” এখন্তেক ভাবি লৈ পুতেক সত্যনাৰায়ণক সুধিলে, “অ’ই সত্য, পণ্ডিতে বৰ বেটায়নে কি অ’?”

“মাৰে যেতিয়া—তেতিয়া মৰি যাম মৰি যাম যেন লাগে। কথা আচৰিতেই। পঢ়াখিনি ঠিক মতে পৰায়ো বেত খায়, নোৱাৰায়ো খায়। পণ্ডিতে ভাবে—নেমাৰিলে মানুহ নহয়। আৰু আচল কথা হ’ল যে—ছাত্ৰক নোকোবোৱাকৈ পণ্ডিত হ’ব নোৱাৰি বুলি তেওঁ ভাবে, আৰু মযো।” সত্যনাৰায়ণে সূৰ্য্যপ্ৰসাদক ক’লে, “চাৰৌপ চাৰৌপকৈ শব্দ নুঠালৈকে চাৰৰ—পঢ়াশালিখনকে মৰিশালি যেনহে লাগে বুলি বোল্‌তা হ্যায়।”

সূৰ্য্যপ্ৰসাদে আধামেলা চকুৰে চাই অসহায়ভাৱে ক’লে, “তেনেহ’লে—মযো তইঁতৰ দৰেই বেটৰ খোব খাব লাগিবই?”

সত্যনাৰায়ণে সাপে ফেঁট মেলা দি ফোঁচ্‌কৈ কৈ উঠিল, “মোক যেতিয়া

সৰু মুখত ডাঙৰ কথা শুনি খঙে সূৰ্য্যপ্ৰসাদৰ তালু প লেগে। তেওঁ আলু নিকটাই ক’লে, “মোৰ বয়স পঞ্চাছ আৰু তই হ’লি এটা দ্বিতীয় মানত পঢ়া গাখীৰ গোন্ধোৱা পানী-কেঁচুৰা। তোৰ সলনি মইহে যাব লাগিবনে পঢ়াশালিলৈ? মইহে তোৰ শিয়াল পণ্ডিতৰ হাতৰ বেতৰ কোব খামনেগৈ?”

“তুমি মোতকৈ ঢেৰ ঢেৰ বেছি পঢ়া-লিখা কৰিলা। পঢ়াশালিলৈ যাবলৈ ইমান পদাপাল দেখিছা কাঁহে হো?” সত্যনাৰায়ণে সুধিলে।

“নেযাওঁ দে, নেযাওঁ তোৰ সেই পনীয়ল

পণ্ডিতে পিটিছিল, কোবাই জবাই কৰিছিল, তেতিয়া দেখোন 'দোষ কৰিলে ৰোষ উঠিব', 'মাৰ খোৱা কাম কৰিলে কি ফুল ছটিয়াব'—এইবোৰ কৈছিলা, ঠেলি-ঠুলি পাঠশালালৈ পঠাইছিলা। এতিয়ানো তেনেকৈ আংবাং সুধিছা কিয়? এতিয়া যোৱা—আৰু কিমান ধানৰ পেটত কিমান পণ্ডিত থাকে চোৱাগৈ।"

ৰূপান্তৰৰ ফল যে এনেকুৱা হ'ব, নিজৰ ল'ৰায়েই ভালকৈ এশিকা দিব, সূৰ্য্যপ্ৰসাদে কল্পনাও কৰিব পৰা নাছিল। কিন্তু এতিয়া যে আৰু কৰিবলগীয়াও বিশেষ একো নাই, নগমাকৈ নাথাকিল। সূৰ্য্যপ্ৰসাদে ক'লে, "চা, তই ভাবিছ যে তই এইদৰে মোক থেকেচি থেকেচি মাৰিবি। কিন্তু সেয়া নহৈছে জানি থ'। তই মোক শিঙা হোপা দিবি—আৰু মই শিকিত দিয়া মাছ যেন হ'ম—সেইটো নহৈছে। মই যে সুৰযপৰ্‌সাদ আৰু তই যে সইত্যনাৰায়ণ সেই কথা মই সকলোকে কৈ দিম।"

সত্যনাৰায়ণে হোহোৱাই হাঁহি উঠি ক'লে, "তোমাকো আৰু মই হেদানি মেলিবলৈ নিদোঁ নহয়— ?"

সত্যনাৰায়ণে আকৌ ক'লে, "যাক যাক ক'বা, মাতি আনা। যি ক'বা—কোৱা। তাৰ পাছত ময়ো চবকে কি ক'ম চাবা। মই বুজাই ক'ম যে তোমাৰ





খাবৰ আৰু চাকি চাবৰ মন গৈছে।"

লগে লগে সূৰ্য্যপ্ৰসাদে ৰান্ধনি মানুহজনীক ক'লে, "সেই সৰু ল'ৰাটোৰ কথা নুশুনিবা, মই যি কওঁ তাকে কৰিবা।"

তাৰ পাছত সূৰ্য্যপ্ৰসাদে সকলোটিকেই ক'লে তেওঁৰ এনে অথান্তৰৰ কথা। কিন্তু জনে জনে বুজাই কৈও কাকো ৰবাব নোৱাৰিলে। সদৌ শেষত ঘৰৰ ইটো-সিটো কাম-বন কৰা মানুহটোক ক'লে, "তোমালোকে ভালকৈ শুনা, মই হ'লোঁ এই ঘৰৰ গৰাকী। মোৰ নাম সূৰ্য্যপ্ৰসাদ।"

"সেই কথাতনো সন্দেহ কৰিবলগীয়া কি আছে—?" ঘৰুৱা কাম কৰা বীৰবৰ্মাই আচৰিত মানি ক'লে।

বীৰবৰ্মাৰ কথাত সূৰ্য্যপ্ৰসাদ কিছু পৰিমাণে আশ্বস্ত হ'ল।

তেতিয়া সত্যনাৰায়ণে সূৰ্য্যপ্ৰসাদক ক'লে, "তুমি আচল কথাটো তেনেকৈ গাই নুফুৰাই ভাল, কোনো লাভ নহ'ব। তোমাৰ আঁৰত — ইতিমধ্যেই তোমাক বেজ মতাই পৰীক্ষা কৰাৰ কথা কোৱা হৈছে। সেই দেখি কওঁ—চুপ মাৰি থাকিলেই ভাল হ'ব!"

কথা সঁচা নয়। এই কথাৰ চয়-নিচয় এতিয়াই হৈ য'ক।" এই বুলি কৈয়েই সত্যনাৰায়ণে বহুতকে মাতি আনিলে।

প্ৰথমেই সত্যনাৰায়ণে ৰান্ধনি মানুহজনীক সুধিলে, "মই হ'লোঁ সূৰযপ্ৰসাদ আৰু সি যে সত্যনাৰায়ণ—তুমি কথাটো ঠিক ঠিক বিশ্বাস কৰানে? আমাৰ দুয়োৰো ৰূপ-পৰিৱৰ্তন হ'ল।"

ৰান্ধনি মানুহজনীয়ে "যতবোৰ আং বাং" বুলি কৈ পুনৰ ৰান্ধনিঘৰতে সোমাল।

সত্যনাৰায়ণে ৰান্ধনি মানুহজনীক হাঁহি মুখেৰে ক'লে, "আজি মোৰ কাৰণে অলপ পিঠা-পনা কৰাচোনগৈ। মোৰ বৰ

ৰান্ধনি মানুহজনীয়ে সত্যনাৰায়ণ যে আচলতে সূৰ্য্যপ্ৰসাদ—কেনেকৈ গমিব? তাই ভাবি থাকিল: এস্! বেচেৰা!

পেট বিষাইছে বুলি পাঠশালালৈ যাব খোজা নাই, আৰু তাৰ দেউতাৰটোৱে তাক যাবলৈ বাধ্য কৰিছে! পাঠশালালৈ নোযোৱাত তাক খাবলৈকো নিদিব বুলি কৈছে! এস্! চেঃ চেঃ!

হঠাৎ মানুহজনীৰ মনত পৰিল যে চাউল-ডালি কিনি আনিব লাগিব। আগবেলা এবাৰ কৈছিল, কিন্তু বেলি ভাটি দিয়াতো চাউল-ডাইলখিনি নানিলে কোনেও। সেইদেখি তাই সত্যনাৰায়ণক ক'লে, "আগবেলা যে চাউল-দালি অনাৰ কথা কৈছিলোঁ — এতিয়ালৈকো অনা নহ'ল দেখোন। এইবোৰ মোক এতিয়াই লাগে, নহ'লে চৰুলৈ জাল নাযাব।"

ৰান্ধনিৰ কথা শুনা মাত্ৰেই সূৰ্য্যপ্ৰসাদ ৰূপী সত্যনাৰায়ণে সে সেকৈ হাঁহি থাকিল। হাঁহি হাঁহি সি ক'লে, "বাৰু, হ'ব। অনা হ'ব।"

গৰাকীৰ হাঁহি কিন্তু বয়সিয়াল মানুহৰ হাঁহিৰ দৰে নহয় যেন লাগিছে—। ভাবিলে ৰান্ধনি মানুহজনীয়ে: আৰু আমাৰ গিৰিহঁতে কোনো দিনে তেনেকৈ খিক্ খিক্কৈ হঁহা আমি কোনেও দেখাও নাই। কথানো কি? তামোল নোখোৱা-কৈয়েই সেলেঙি লাগি গ'ল তাইৰ।

তিমানতে সূৰ্য্যপ্ৰসাদৰ ৰূপধাৰী সত্য-নাৰায়ণ বহাৰপৰা উঠি আলমাৰি খুলি টকা কিছুখিনি জেপত ভৰাই লৈ ওলাই পৰিল।



ৰান্ধনিয়ে সত্যক গোটেই ঘৰটোতো বিচাৰি পোৱা নহ'ল। ইকোঠা-সিকোঠা বিচাৰি বিচাৰি শেষত চ'ৰাঘৰত সত্যক এখন আৰামীচকীত বহি থকা দেখা পাই তাই সত্যনাৰায়ণক ক'লে, "তোমাক ইমান যে বিচাৰি ফুৰিছোঁ, ইমানকৈ মাতিছোঁ—তুমি শুনা নাইনে? তোমাৰ বাৰু ইমানেই সাহ হ'লনে?"

কিন্তু এই সত্যনাৰায়ণ তো আচলতে সূৰ্য্যপ্ৰসাদহে। গতিকে—ৰান্ধনি মানুহজনীৰ কথাত সূৰ্য্যপ্ৰসাদৰ খং উঠিল। তেওঁ খেচ্‌খেচাই উঠি ক'লে, "ইমান বিচাৰিবলৈনো কি হ'ল? তোমাৰ কাম তুমি কৰি থাকা। মোক তোমাৰ দৰ্কাৰ নাই, তোমাকো মোৰ একো দৰ্কাৰ নাই।"

"শুনা, কথা এটা ক'ৰেঁই তোমাক। বয়সৰ তুলনাত তোমাৰ কথা-বতৰাবোৰ বৰ বেছি কঠুৱা। এনে কঠুৱা মাত মোক কোনেও আজিপৰ্য্যে আৰু মতা নাই।"

এই বুলি কৈ — একাঁহী জা-জলপান সত্যনাৰায়ৰূপী সূৰ্য্যপ্ৰসাদক দিলে তাই।

ইমানখিনি জা-জলপান দেখি সূৰ্য্যপ্ৰসাদে ভয় খালে। ইমানবোৰ খোৱাবস্তু এই বুঢ়া বয়সত খাব পাৰিবনে!

কিন্তু খাই অঁতালে। তেওঁ জানে—তেওঁ ৰুগীয়া। তথাপি ইমানখিনি খাব পৰাত তেওঁ নিজেই অবাক মানিলে। হঠাৎ তেওঁৰ ভাব হ'ল: তেওঁ ইচ্ছা কৰিলে দৌৰিব পাৰিব, জঁপিয়া-জঁপিও কৰিব পাৰিব, উৰিবও পাৰিব কিজানি। তেওঁৰ যেনিবা পাখিহে গজিছে!

ইপিনে জেপত টকা এসোপা লৈ সূৰ্য্যপ্ৰসাদৰূপী সত্যনাৰায়ণে অন্যান্য বস্তুৰ লগত কিছুমান পুতলাও কিনিলে। বাটত বহুতেই তাক কুশল-প্ৰশ্ন সুধিছিল। সিও চমুকৈ উত্তৰ নিদিয়াকৈ নাছিল; কিন্তু বয়সস্থ লোকসকলক সি তাৰ সাধ্যমতে এৰাই চলিছিল] [অহা সংখ্যাত



সাধুৰ দৰব

এবাৰ কোশলদেশৰ মহাৰাণী অসুস্থ হৈ পৰিল। ৰাজবৈদ্যসকলে বহুধৰণে চিকিৎসা কৰিও ব্যৰ্থ হ'ল। মহাৰাজৰ আত্মীয়-বন্ধুসকলে তেওঁক সান্ত্বনা দিছিল, আৰু কিছুমানে মহাৰাণীৰ কাষত বহি মহাৰাণীকো সান্ত্বনা যোগাইছিল।

এনেতে হিমালয়ৰপৰা এজন সন্ন্যাসী আহি ওলালহি। বাতৰি পাই, ৰজাই এই সন্ন্যাসীক নিমন্ত্ৰণ কৰি অনালে।

ৰজাৰপৰা বিশেষ আমন্ত্ৰণ পাই সন্ন্যাসী ৰজাৰ ওচৰলৈ গ'ল। ৰজাই তেওঁৰ পত্নীৰ অসুস্থতাৰ কথা সন্ন্যাসীক বিস্তাৰিতভাৱে কোৱাৰ অন্তত ক'লে, "হে সন্ন্যাসী, কেনেকৈনো এই বিপদৰপৰা মই মুক্তি পাম?"

সন্ন্যাসীয়ে অসুস্থ মহাৰাণীক পৰীক্ষা কৰি চোৱাৰ অন্তত ৰাজ-বৈদ্যসকলৰ সৈতে আলোচনা কৰিলে। অসুখ ভাল কৰিবলৈ, বৈদ্যসকলে যিসকল ব্যৱস্থা অৱলম্বন কৰিছিল, যিবোৰ ঔষধ প্ৰয়োগ কৰিছিল সেইবোৰৰো খা-খবৰ লোৱাৰ অন্তত সন্ন্যাসীয়ে মহাৰাণীৰ বেমাৰ ভাল হোৱাৰ পৰিৱৰ্তে বাঢ়ি যোৱাৰ কাৰণ কিছু অনুমান কৰিব পাৰিলে।

সন্ন্যাসীয়ে মহাৰাজক ক'লে, "মহাৰাণীৰ অসুস্থতাৰ হেতু মই বুজি পাইছোঁ, তেওঁৰ অসুস্থতাৰ মূল কাৰণো মই জানিছোঁ। তেওঁৰ এই অসুখ অতি বিচিত্ৰ। পাপাত্মাবিলাকক খেদি নিদিয়ালৈকে তেওঁৰ বেমাৰ সম্পূৰ্ণ ভাল নহ'ব। এইবোৰক আপুনি খেদিব, মোৰ দৰব খুৱাব, আৰু মহাৰাণী সুস্থ হৈ উঠিব।"

সুনন্দা শইকীয়া

সন্ন্যাসীৰ কথা শুনি অবাক হৈ পৰা ৰজাই ভাবি থাকিল যে তেওঁৰ কাষ চপাইঁতৰ মাজত কোনবোৰ পাপস্থা।

সন্ন্যাসীয়ে কৰা এই মন্তব্যৰ কথা কণাকণি-জনাজনি হৈ পৰিল। এতিয়া আনকি তিৰোতাসকলো মহাৰাণীৰ কাষ চাপিবলৈ ভয় কৰা হ'ল। ৰাণীৰ কাষ চপাৰ অৰ্থ—বেমাৰ বঢ়োৱা। কিছুমানে ইমানেই ভয় খালে যে মহাৰাণীৰ সৈতে সা-সম্পৰ্ক একেবাৰে ছিন্ন কৰা হ'ল।

সন্ন্যাসীয়ে পাপাত্মাইঁতক খেদিবলৈ কোৱাত মহাৰাজেও এনেবোৰ কথা-কাণ্ডত আপত্তি নদৰ্শোৱা হ'ল, তেওঁ এইবোৰ দেখিও নেদেখা হ'ল।

সন্ন্যাসীয়ে দিয়া ঔষধৰ প্ৰয়োগ আৰম্ভ হ'ল। আৰু তেতিয়া—আনৰ কথা বাদেই—স্বয়ং মহাৰাজো ৰাণীৰ কাষ নচপা হ'ল প্ৰায়। তেওঁৰ মনতো এবিধ পাপবোধ সোমাল।

ৰজাই সন্ন্যাসীক সকৃতজ্ঞ চিতেৰে ক'লে, "হে প্ৰভু! দেশত বৈদ্যৰ সংখ্যা অসংখ্য। কিন্তু মহাৰাণীৰ বেমাৰ কেৱল আপুনিহে ধৰিব পাৰিলে!"

যি কি নহওক, মহাৰাণী সাত দিনৰ ভিতৰত প্ৰকৃততেই সুস্থ হৈ উঠিল।

তেতিয়া ৰজাই সন্ন্যাসীক একেবাৰে বজ্ৰলেপৰ দৰে ধৰি সুধিলে, "হে প্ৰভু! হে বাবা! ইমানবোৰ ৰাজবৈদ্যই মিলিও ভাল কৰিব নোৱৰা ৰাণীক আপুনি কি সেই আচৰিত দৰব দিছিল দয়া কৰি আমাক ক'বই লাগিব।"

সন্ন্যাসীয়ে মৃদু মৃদুকৈ হাঁহি মাৰি ক'লে, "ৰাজবৈদ্যসকলে দিয়া দৰব ঠিকেই আছিল, ময়ো দৰব হিচাপে তাকেই দিছিলোঁ। কিন্তু ৰাজবৈদ্যসকলে দিব নোৱৰা আন এটি মহা-ঔষধিও মই মহাৰাণীক দিছিলোঁ, সেয়া হ'ল—অসংখ্য দৰ্শনাৰ্থীৰ কোলাহলৰপৰা বিশ্ৰাম।"

তত্ত্বজ্ঞান-বাস্তৱজ্ঞান

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, যিকোনো কাৰ্য্য নিজৰ বুদ্ধিৰে কৰি বিফল হ'লেও সহিব পাৰি ; কিন্তু আনৰ বুদ্ধিৰে কৰিবলৈ লৈ বিফল হ'লে সেই বিফলতা সহ্য কৰা টান। মোৰ এই মন্তব্য কিমান অভ্ৰান্ত, ভিখাৰী-দাসৰ কাহিনী শুনিলেই তাৰ দেখ দেখ প্ৰমাণ পাবা। এই কাহিনীয়ে তোমাক আন একো দিব সুফল নোৱাৰিলেও তোমাৰ নিজৰ এনে অপাৰ শ্ৰমৰ বিষয়ে অৱশ্যেই চিন্তাৰ সমল যোগাব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে ঃ

'বেতাল-কথা'



প্ৰাচীনকালৰ ৰাজধানী নাগপুৰৰ অধিৰাসী ধৰ্মদাসে নিজৰ শ্ৰম তথা অধ্যবসায়েৰে ধনী হোৱাৰ উপৰিও নাম-খ্যাতিও আৰ্জিব পৰা হ'ল। ধৰ্মদাসৰ চাৰিটি পুত্ৰ। বুঢ়া বয়সত সেই চাৰিও পুত্ৰক এদিন ধৰ্মদাসে ক'লে, "তোমালোক চাৰিজনে চাৰিবিধৰ জ্ঞান আৰ্জিলা। কথাটো বাস্তৱিকতে আনন্দৰ কথা। মোৰ অনুৰোধ, তোমালোকৰপৰা কোনোবাই দিহা-পৰাপৰ্শ বিচাৰি আহে যদি—কেতিয়াও দিহা-পৰামৰ্শ বিচাৰি অহা-সকলক তোমালোকে বিমুখ নকৰিবা।"

ধৰ্মদাসৰ ডাঙৰ ল'ৰাটিৰ নাম আছিল ৰামদাস। ৰামদাস আছিল এজন ভব্য-গব্য উকীল, আৰু তেওঁ পৃথিৱীৰ অনেক ধৰণৰ খা-খবৰ জানিছিল।

এদিন ভিখাৰীদাস নামৰ মানুহ এজনে ৰামদাসৰ ওচৰত নিজৰ দুখৰ কথা ক'লেহি। ভিখাৰীদাস—নামতো ভিখাৰী, কামতো প্ৰায় তেনেকুৱাই। ডাল-দৰিদ্ৰ। ঘৰটো খাপৰি ইটাৰ ঘৰ। এই ঘৰটো এদিন নাগপুৰী ধনী মানুহ এজনে কিনিব বুলি কোৱাত ভিখাৰীদাসে ধনগুপ্ত নামৰ সেই ধনী মানুহজনক ক'লে, "আপুনি বেয়া নাপাব। যিমানেই ধন নিদিয়ক—মই মোৰ ঘৰটো নেবেচোঁ।"

"নেবেচিবা মানে—? বেচিবই লাগিব। চাৰিদিনৰ ভিতৰত মন স্থিৰ কৰিবা। যদি নেবেচা—তেনেহ'লে মই তোমাক ইয়াৰ-পৰা যেনেতেনে খেদিম।" ধনী ধনগুপ্তই ডাবি মাৰি ক'লে।

ৰামদাস উকীলে ভিখাৰীদাসক ক'লে, "তুমি আদালতলৈ গৈ বিচাৰকৰ ওচৰত অভিযোগ দাখিল কৰা।"

ভিখাৰীদাসে অতি নম্ৰতাৰে ক'লে, "বিচাৰকে—ধনগুপ্তই একগল-একনল। গতিকে সুবিচাৰ পাম বুলি মনে নধৰে।"

অলপ ভাবি ৰামদাসে ক'লে, "বিচাৰক-সকলে নগৰক সাগৰ সাগৰক নগৰ কৰিব

পাৰে। পিছে—আন এটা উপায় আছে। দেশৰ ৰজাই প্ৰতি মঙলবাৰে মঙলবাৰে ৰাইজৰপৰা গোচৰ শুনে। গতিকে—মহাৰাজক ক'লে হয়তো সুবিচাৰ পাবা। আৰু কালিলৈয়েই হ'ল সেই মঙলবাৰ!"

ভিখাৰীদাসে ক'লে, "চাওক, ধনগুপ্তৰ সৈতে মোৰ তেনেকুৱা শতুৰালি একো নাই। আৰু ডাঙৰৰ দায় যে পিছলি যায়—জানেই। যেই কি নহওক, মই নিজেই এবাৰ ধনগুপ্তক ধমক দি চাম। যদি তাৰে কিবা নহয়, তেতিয়া ৰজাৰ ওচৰত গোচৰ তৰিম।"

"তেনেহ'লে এটা কাম কৰা। তুমি বিচাৰকৰ ওচৰত থকা অভিযোগৰ বহীত সকলো ঘটনা লিখাৰ অন্তত—কালিলৈ যে মহাৰাজকো ক'বা—সেই কথাটোও লিখি দিবা। তেতিয়া তোমাক বিচাৰকে নিশ্চয় মাতি পঠাবই। কিন্তু এই চেষ্টা যদি বিফল হয়—তেতিয়া যে কি কৰিবা—সেই কথা মই কিন্তু তোমাক এতিয়াই একোকে ক'ব নোৱাৰিছোঁ।" উকীল ৰামদাসে ভিখাৰীদাসক ক'লে।

ভিখাৰীদাসে ৰামদাসৰ পৰামৰ্শৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰি পোনে পোনেই ধৰ্মদাসৰ দ্বিতীয়পুত্ৰ বীৰদাসক সকলো কথা ভালকৈ বুজাই ক'লেগৈ।

শুনাৰ অন্ততো বীৰদাসে একো মন্তব্য নকৰাত ভিখাৰীয়ে পুনৰ ক'লে, "এতিয়া—মোৰ চিন্তা হ'ল যে—তোমাৰ ককাই-দেউৰাৰ কথা মতে কাম কৰাৰ আগতেই যদি ধনগুপ্তৰ গুণ্ডাহঁতে মোক আক্ৰমণ কৰে—তেতিয়া? তেতিয়া বাৰু মই কি কৰিম?"

এই কথাৰ উত্তৰত বীৰদাসে ক'লে, "ধনগুপ্তৰ গুণ্ডাবাহিনীৰ চৰ্দাৰ ভীমৰাজৰ শিষ্য হ'ল সিংহবাহু। সি এজন বিছ বছৰীয়া যুৱক। সি সাহসী, শক্তিমান; কিন্তু গুণ্ডাৰ চৰ্দাৰৰ শিষ্য হোৱা সত্বেও যুক্তিৰ আগত বা ন্যায়নীতিৰ আগত



মূৰ দৌৰায়। গতিকে—যদি মই কোৱা মতে তুমি যদি সিংহবাহুৰপৰা সহায় প্ৰৰ্থনা কৰাগৈ — হয়তো সি তোমাক পাৰ্য্যমানে সহায় কৰিব।”

“তোমাৰ এই উপদেশ তথা পৰামৰ্শৰ বাবে মই কৃতজ্ঞ।” এই বুলি কৈ, তাৰপৰা ওলায়েই ভিখাৰীদাস ধৰ্মদাসৰ তৃতীয়পুত্ৰ ৰত্নদাসৰ কায চাপিল। ৰত্নদাস আছিল ৰজাৰ হৈ বিদেশী বেপাৰীৰ লোকসকলৰ সৈতে অন্যতম প্ৰধান যোগাযোগকাৰী। ভিখাৰীদাসে ৰত্নদাসকো সকলো কথা ভাঙি-পাতি ক'লে আৰু ৰত্নদাসৰ ককায়েক দুজনৰপৰা পোৱা দিহা- পৰামৰ্শৰ কথাও ক'লে তাক। ভিখাৰীদাসে লগতে আৰু ক'লে, “এতিয়া বুজিছাই, কোনোবা ধনিকৰ বিৰুদ্ধে কিবা এটা কৰাটো মোৰ দৰে দৰিদ্ৰৰ পক্ষে সম্ভৱ নহয়। বিচাৰ হ'লেও মোৰ হৈ কেইজনে মাত মাতিব—সেই কথাত সন্দেহ আছে। গতিকে—মোৰ পঁজাটো ধনগুপ্তক কিজানি বেচিব লাগিবই। তেওঁ মোক পাঁচ হেজাৰ মুদ্ৰা দিব বুলি কৈছে। পিছে—মোৰ ঘৰটোৰ প্ৰকৃত দাম কিমান হোৱা উচিত—সেই কথা একমাত্ৰ তুমি সঠিককৈ মোক ক'ব পাৰিবা—এই বিশ্বাসতহে তোমাৰ কায চাপিছোঁ মই।”

ৰত্নদাসে ক'লে, “তোমাৰ ঘৰটো হ'ল ৰাজধানীত। গতিকে—কমেও তোমাৰ ঘৰটোৰ দাম পঞ্চাছ হেজাৰ হ'ব লাগে। তুমি বেচিবাই বুলি যদি ৰবৰ পায়—তেনেহ'লে ধনিক বৰদাগুপ্তই যাঠিহেজাৰ টকাৰেও ঘৰটো কিনি ল'ব। কিয়নো—বৰদাগুপ্তই তেওঁৰ জোঁৱায়েকৰ বাবে ৰাজধানীত যেই-সেই ঘৰ এটা অৰ্থাৎ মাটি এডোখৰ বিচাৰি আছে।”

ৰত্নদাসৰ ওচৰতো কৃতজ্ঞতা জ্ঞাপন কৰাৰ অন্তত ভিখাৰীদাস ধৰ্মদাসৰ চতুৰ্থ পুত্ৰ ব্ৰহ্মদাসৰ কায চাপিল। ব্ৰহ্মদাস আছিল বেদ-পুৰাণ আদিৰ বিষয়ত

বিশেষজ্ঞ। ধৰ্ম-বিষয়ক জটিল প্ৰশ্নসমূহৰ মীমাংসাৰ কাৰণে আনকি ৰজায়ো ব্ৰহ্মদাসৰ কাষ চাপিছিল।

ভিখাৰীদাসে ব্ৰহ্মদাসক সবিস্তাৰে সকলো কথা ক'লে, আৰু সদৌ শেষত মন্তব্য কৰিলে, "মই—বাপতি-সাহোন বোলোঁতে মাত্ৰ এটা ঘৰহে পাইছিলোঁ। দেউতাই মৃত্যুৰ আগে আগে মোৰ ছোৱালীজনীৰ নামত মাটিডৰা লিখি দি থৈ গৈছে। এতিয়া বিপদ হ'ল—ধনগুপ্তৰ দৰে ক্ষমতাবান ব্যক্তিয়ে আমাৰ এই ঘৰটো পানীৰ দামতে কিনি ল'বলৈ ছেগ চাই আছে। ইপিনে—নেবেচিলেও নহ'ব। তেতিয়া ধনগুপ্তই গুণ্ডা লগাই মোক মাৰিব। এতিয়া—এই অভাৱিত বিপদৰপৰা উদ্ধাৰ পোৱাৰ উপায় বিচাৰিহে তোমাৰ কাষ চাপিছোঁ। কিবা এটা উপায় দিয়া, নহ'লে নিগমে মৰিলোঁ।"

ভিখাৰীৰ কথাত ভাল পাই ব্ৰহ্মদাসে ক'লে, "ৰাজধানীত যেইকোনো বিয়াৰ ক্ষেত্ৰত ৰাজপুৰোহিত জ্ঞ নমিশ্ৰৰপৰা দিহা-পৰামৰ্শ লোৱা হয়। যদি আটাইতকৈ ভাল পৰামৰ্শ লাগে তোমাক, তেওঁৰ মতামতৰ মূল্য বহু অধিক।"

ব্ৰহ্মদাসৰ ওচৰতো কৃতজ্ঞতা জ্ঞাপন কৰি ভিখাৰীদাস গুচি গ'ল।

এই ঘটনাৰ কিছুদিনৰ অন্তত ধনগুপ্তৰ পুত্ৰৰ সৈতে ভিখাৰীদাসৰ ছোৱালীজনীৰ

বিয়া হৈ গ'ল আৰু জোঁৱায়েকৰ নামত ঘৰটো লিখি দি ভিখাৰীদাসে অতি সাধাৰণ ঘৰ এটা ভাড়ালৈ লৈ অলপ দূৰত থাকিবলৈ ল'লে।

এই আচৰিত বিয়াৰ অন্তত ধৰ্মদাসৰ চাৰিও পুত্ৰৰ মাজত এই কথা লৈ আলোচনা বিলোচনা চলি থাকিল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, ধৰ্মদাসৰ যোগ্যবান পুত্ৰ চাৰিজনে ভিখাৰীদাসৰ সমস্যা সমাধানত সহায় কৰিব নোৱাৰিলে কিয়? আৰু—যিজনৰ বিৰুদ্ধে ভিখাৰী-দাসে দিহা-পৰামৰ্শ খুজিছিল--সেই ধন-গুপ্তৰ ল'ৰাৰ লগত ভিখাৰীদাসে নিজৰ ছোৱালীজনীৰ বিয়া পাতিছিলবা কিয়? জানিও সঠিককৈ মোৰ প্ৰশ্নৰ উত্তৰ নিদিয়া যদি—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "এটা কথা ভিখাৰীদাসে ভালকৈ বুজি পাইছিল যে—যাৰ জ্ঞান যিমানেই নাথাকক, প্ৰকৃত ব্যৱহাৰিক জীৱনত সেই জ্ঞানৰ প্ৰয়োগ কৰাটো অতি টান কাম। ধৰ্মদাসৰ চাৰিও পুত্ৰৰ. বা ৰাজপুৰোহিতৰো জ্ঞান নিশ্চয় আছিল; কিন্তু কোনো বাস্তৱতে ভিখাৰীদাসৰ সমস্যা সমাধানৰ দায়িত্ব লোৱাৰ সলনি কিমান যে নিদিবৰ দেওবাৰ উলিয়াইছিল! এই নিদিবৰ দেওবাৰবোৰলৈ মন কৰি, আৰু—ঘৰটো এদিন-নহয়-এদিন তাৰ ছোৱালীজনীৰহে হ'বগৈ—এই কথা বুজি পাই, ধনগুপ্তই ভিখাৰীদাসৰ মাটি-বাৰী আত্মসাৎ কৰাৰ মনেৰে তাৰ ছোৱালীজনীক বোৱাৰী হিচাপে লোৱাৰ প্ৰস্তাৱ দিয়াত ভিখাৰী-দাসে তাত্ত্বিক জ্ঞানীসকলতকৈ বাস্তৱ-জ্ঞান প্ৰয়োগ কৰি বুদ্ধিমত্তাৰ পৰিচয় দিছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

এক একেই নহয়

মগধৰাজ জয়সিংহদেউ অন্যান্য দিনত ওলোৱাৰ দৰে, আজিও তেওঁৰ পৰামৰ্শ দাতা গুণনিধিক লগত লৈ ছদ্মবেশত ৰাতিৰ পৰ নগৰ পৰিদৰ্শনলৈ ওলাল আৰু নগৰৰ শেষ সীমাত কিছুমান ডকাইতে তেওঁলোকক আক্ৰমণ কৰিলে।

ৰজাই, আৰু গুণনিধিয়েও তৰোৱাল উলিয়ালে ; কিন্তু ডকাইতহঁতে চকুৰ পচাৰ নৌপৰোঁতেই সেই তৰোৱাল কাঢ়ি ল'লে আৰু তেওঁলোকৰ ওচৰত ধন-ৰত্ন একো নাপাই তেওঁলোকৰ ঠোঁঠোমা এৰুৱালে।

পাছদিনা ৰাজসভাৰ কাৰ্য্য আৰম্ভ হোৱাৰ আগতে জয়সিংহদেৱে ক'লে, "এই সভাত কিছু সংখ্যক জ্ঞানী ব্যক্তি নিশ্চয় আছে। তেওঁলোকৰ ওচৰত মই এটা প্ৰশ্ন দাঙি ধৰিম। প্ৰশ্নটো হ'ল এয়ে যে—এঠাইত সন্মানিত ব্যক্তি এজন আন ঠাইত অপমানিত হ'ব পাৰনে? যদি তেনেকুৱা হয়েই—কিয় হয়? হেতু কি?"

ৰজাৰ প্ৰশ্ন শুনি সভাস্থ সকলোটিয়েই গভীৰভাৱে প্ৰশ্নটো ভাবিবলৈ ধৰিলে।

গুণনিধিয়ে ভাবিলে ঃ মহাৰাজৰ এই প্ৰশ্নৰ উত্তৰ দিয়াঁৰ ছলতে তেওঁৰ মনৰ দুখ পাতলাব পাৰিলে বেয়া নহ'ব। এই কথা ভাবি গুণনিধিয়ে মহাৰাজক ক'লে, "মহাৰাজ! একেইজন ব্যক্তিৰ বেলেগ বেলেগ পৰিবেশ-পৰিস্থিতিত সন্মানিত আৰু অসন্মানিত হোৱাটো অস্বাভাৱিক কথা নহয়। একেটা বস্তুৱেই পৰিবেশ-পৰিস্থিতিৰ গুণত বেলেগ বেলেগ ৰূপ লয়!"

"আপোনাৰ কথাৰ সপক্ষে কিবা দৃষ্টান্ত দিবনে?" ৰজাই সুধিলে গুণনিধিক।

"পাৰিম মহাৰ্য্যজ।" গুণনিধিয়ে মূৰত কাপোৰেৰে পাগ এটা মাৰি লৈ সভাস্থ এজনক সুধিলে, "এইটোনো কি?"

মানুহজনে ক'লে, "পাগুৰী।"

তৎক্ষণাৎ সেই পাগুৰীৰ কাপোৰ ডোখৰ ভাঁজ কৰি কান্ধত পেলাই লৈ গুণনিধিয়ে পুনৰ সুধিলে, "এতিয়া?"

মানুহজনে ক'লে, "চাদৰ।"

পাছমুহূৰ্ত্ততে কাপোৰ ডুখৰি কান্ধৰপৰা নমাই হাতত টোপোলা এটাৰ দৰে লৈ গুণনিধিয়ে সুধিলে, "এতিয়া কি বুলি ক'ব?"

মানুহজনে ক'লে, "এডুখৰি কাপোৰ।"

"দেখিলেনে মহাৰাজ? একেটা বস্তুৰ তিনিটা ৰূপ? আন এটা দৃষ্টান্ত দাঙি ধৰিছোঁ মই।" গুণনিধিয়ে কাঠৰ তক্তা এচটা লৈ আহিল আৰু ৰাজসভাত থকা এজনক ক'লে, "এই কাঠৰ তক্তা চটাক গোৰ মাৰি গুচাই দিয়া।"

মানুহজনে তাকে কৰিলে। গুচাই দিলে গুৰিয়াই। তাৰ পাছত—এই কাঠ চটাত কোনোবা দেৱতাৰ কাল্পনিক মুখ এখন আঁকি সেই মানুহজনক এইবাৰো কাঠচটাক গুৰিয়াই গুচাই দিবলৈ কোৱাত মানুহজনে ক'লে, "মই নোৱাৰিম।" মানুহজনে এইবাৰ সেৱাহে কৰিলে।

তেতিয়া গুণনিধিয়ে ৰজাক ক'লে, "মহাৰাজ! ঈশ্বৰ যদি সৰ্বত্ৰ বিৰাজমান, তেনেহ'লে কাঠৰ তক্তাতো নথকাৰ হেতু ন্যাই। সেই একেই চটা কাঠৰ তক্তাক কিন্তু এইজন মানুহে ভৰিৰে গুৰিয়াই গুচাইছিল; আৰু এতিয়াই প্ৰণামো কৰিছিল। সেই দেখি কওঁ মহাৰাজ, ছদ্মবেশ ধাৰণ কৰি ঘূৰি ফুৰোঁতে মহাৰাজ হৈ নাছিল, সাধাৰণৰো সাধাৰণ হৈ আছিল। গতিকে—তেতিয়া প্ৰাপ্ত আচৰণৰ কথাত এতিয়া দুঃখবোধ কৰাৰ হেতু নাই।"

গুণনিথিৰ যুক্তিপূৰ্ণ কথা শুনি ৰজাৰ মনৰ দুখ ভালখিনিলৈকে পাতলিল।



জ্ঞান ভাণ্ডাৰ

ঐতিহাসিক

এই মাহৰ ব্যক্তিত্ব

জাহাংগীৰ

ছলিম মিৰ্জা, পৰৱৰ্তী কালত জাহাংগীৰ নামেৰে বিখ্যাত সম্ৰাট আকবৰৰ জ্যেষ্ঠপুত্ৰ ১৫৬৯ চনৰ ৩০ অগাস্টত জন্মগ্ৰহণ কৰিছিল। এওঁৰ মাতৃ আছিল ৰাজপুত নাৰী। ১৬০১ চনত জাহাংগীৰে পিতাকৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল; যদিও তেওঁৰ মহান পিতৃয়ে তেওঁক ক্ষমা কৰিছিল; কিন্তু তেওঁৰ অন্য এক পুত্ৰ খচৰু যেতিয়া বিদ্ৰোহী হৈ উঠিল, আকবৰে খচৰুক বন্দী কৰি কাৰাগাৰত নিক্ষেপ কৰিছিল। ১৬২২ চনত খচৰুৰ মৃত্যু হ'ল। জাহাংগীৰৰ ৰাজত্বকালতে স্যাৰ টমাছ ৰো আৰু কেপ্টেইন হকিন্সে বৃটিছৰ হৈ ভাৰতৰ সৈতে বাণিজ্যৰ সূত্ৰপাত কৰিছিল। জাহাংগীৰ আছিল কলাপ্ৰিয়, ধৰ্মৰ বিষয়ত উদাৰমনা। এসময়ত তেওঁৰ পুত্ৰ শ্বাহজাহানো বিদ্ৰোহী হৈ উঠিছিল, আৰু তেতিয়া তেওঁৰ সেনাপতি মহাব খানেও বিদ্ৰোহত যোগ দি সম্ৰাট জাহাংগীৰক কিছুদিনৰ বাবে কাৰাগাৰত বন্দী কৰি ৰাখিছিল। কিন্তু জাহাংগীৰৰ সুচতুৰ পত্নী নূৰ জাহানে কৌশলেৰে তেওঁক মুক্ত কৰি আনিছিল। ১৬২৭ চনত জাহাংগীৰৰ মৃত্যু হৈছিল।

তেওঁলোকনো কোন

এটি ব্ৰাহ্মণ ল'ৰা আৰু এজন ৰাজকোঁৱৰে একেইজন গুৰুৰ ওচৰত বিভিন্ন বিদ্যা শিক্ষা কৰিছিল। দুয়ো নলে-গলে লগা বন্ধু হৈ পৰিল। এদিন ৰাজকোঁৱৰে ব্ৰাহ্মণ ল'ৰাটিক ক'লে, "মই যেতিয়া ৰজা হ'ম, তোমাৰো অভাব নাথাকিব। লাগিলে মই তোমাক মোৰ ৰাজত্বৰো আধাখিনি দিব পাৰিম।" তাৰ পাছত দুয়োৰো বিদ্যা শিক্ষা সমাপ্ত হ'ল, দুয়ো নিজ নিজ ঠাইলৈ গুচি গ'ল। এইদৰে বছৰৰ পাছত বছৰ পাৰ হ'ল। এতিয়া ব্ৰাহ্মণ ল'ৰাটি এজন যুৱক। ব্ৰাহ্মণ যুৱকে সংসাৰখন ঠিকমতে চলাবলৈকো টান পালে। হঠাৎ মনত পৰিল তাহানিৰ ৰাজকোঁৱৰৰ বন্ধুৰ কথা। ব্ৰাহ্মণ যুৱক ৰাজধানীলৈ গ'ল আৰু তেতিয়াৰ ৰাজকোঁৱৰ, এতিয়াৰ ৰজাক "হে বন্ধু" বুলি সম্বোধন কৰিলে। কিন্তু ৰজাই ব্ৰাহ্মণ যুৱকক ডাবি মাৰি ক'লে যে এটা মগনিয়াৰ কদাপি এগৰাকী ৰজাৰ বন্ধু হ'ব নোৱাৰে।

অপমানিত ব্ৰাহ্মণে পাছত ৰজাকো অপমান নকৰাকৈ নাথাকিল। আৰু তাৰ পাছত ৰজায়ো ব্ৰাহ্মণৰ দৰে অপমানৰ প্ৰতিশোধ লৈছিল।

[ক] এই ব্ৰাহ্মণ কোন আছিল?

[খ] ৰজা কোন?

[উত্তৰ : ৪ পৃষ্ঠাত

এ ই মহা

উত্তৰে হিমালয় আৰু দক্ষিণে কন্যাকুমাৰী, আৰু পূৰ্ব-পশ্চিম দিশত সাগৰেৰে বিধৌত এই ভাৰতবৰ্ষ ভৌগোলিক ফালৰপৰা এক সুবিস্তৃত উপ-মহাদেশ।

ভাৰতবৰ্ষ কিমান প্ৰাচীন ? ক'ব পৰা যায়, পৃথিৱী যিমান—সিমানেই। কিন্তু সেয়া সঠিক উত্তৰ নহ'ব। এই হিচাপে ভাৰতবৰ্ষ হ'ল এক সভ্যতা সংস্কৃতিৰ নাম—যি-সভ্যতাৰ প্ৰাচীনত্বৰ কথা আমি নাজানো বুলিয়েই ক'ব পৰা যায়। কিছুমানৰ মতে ভাৰতবৰ্ষ হ'ল খৃষ্টপূৰ্ব ৫০০০ বছৰীয়া প্ৰাচীন। আন কিছুমানৰ মতে—তাতোকৈ বহু বহু বহু পুৰণি!

কিন্তু এটি কথাত আমি নিশ্চিত যে—ভাৰতবৰ্ষৰ যি সাহিত্য-দৰ্শন, সি ইমানেই প্ৰাচীন যে পৃথিৱীৰ আন কোনো দেশেই সেই গৌৰৱময় ঐতিহ্যৰ দাবী কৰিব নোৱাৰে। পৃথিৱীৰ প্ৰথমতম জ্ঞানলিপি হ'ল বেদ। পৃথিৱীৰ প্ৰথমতম কাহিনী-মূলক গ্ৰন্থ হ'ল ৰামায়ণ আৰু মহাভাৰত। পৃথিৱীৰ প্ৰথম সাধুকথামূলক পুথি হ'ল 'কথাসৰিৎসাগৰ'। 'পঞ্চতন্ত্ৰ হ'ল পৃথিৱীৰ প্ৰথম নীতিকথামূলক গ্ৰন্থ। 'জাতক-কাহিনী'ও এই ভাৰতবৰ্ষতে প্ৰথম ৰচিত হৈছিল। মহান দাৰ্শনিক চিন্তাসমূহো জন্মলাভ কৰিছিল ইয়াতে।

ভাৰতৰ আদি নাম ভাৰতবৰ্ষ। এই নাম কিংবদন্তিমূলক নৃপতি ভাৰতৰ নামানু-

ভাৰতবৰ্ষ

সাৰে দিয়া হৈছিল. যিগৰাকী নৃপতিয়ে খুব সম্ভৱতঃ বিভিন্ন স্বাধীন ৰাজ্যক এক কেন্দ্ৰীয় শাসনৰ অধীন কৰিব পাৰিছিল। বহু কালৰ অন্তত, পাৰস্যদেয়ীয় অধিবাসীসকলে এই দেশখনক 'হিন্দ্' বুলি অভিহিত কৰিছিল। এই 'হিন্দ্'-অৰ উৎপত্তি হৈছিল সিন্ধু নৈৰপৰা। এই হিন্দ-ৰেপৰাই 'ইণ্ডিয়া. শব্দৰো উদ্ভৱ। কিয়নো—ভাৰতৰ সৈতে বেপাৰ-বাণিজ্য কৰা প্ৰাচীন পাৰস্যদেশীয় আৰু গ্ৰিক ব্যৱসায়ীবৰ্গই 'হিন্দ' বুলিলে ভাৰতবৰ্ষকে বুজাইছিল, এই নাম কোনো প্ৰকাৰ ধৰ্মীয় নাম নাছিল।

প্ৰাচীন ভাৰতত অসংখ্য ৰাজ্য বিদ্যমান আছিল ; তথাপি ভাৰতবৰ্ষ আছিল এখন দেশ। কিয়নো সমগ্ৰ দেশৰ সংস্কৃতি তথা ঐতিহ্য আছিল একেই।

দুৰ্ভাগ্যবশতঃ. ১৯৪৭ চনত ভাৰতবৰ্ষৰ এভাগ আন এখন দেশলৈ পৰ্য্যবসিত হ'ল। সেই দেশখনৰ নাম 'পাক-ই-স্তান'।, এই নতুন দেশখনো বিভক্ত হ'ল, আৰু তাৰো এভাগ হ'ল নৱজাত 'বাংলাদেশ'।

সুপ্ৰাচীন কালত, আনকি আজিৰ আফগানিস্থানখনো ভাৰতবৰ্ষৰ ভিতৰুৱা আছিল যেন বোধ হয়। শ্ৰীলংকা. মালয়, কাম্বোডিয়া, ইন্দোনেছিয়া. চীনদেশ আছিল ভাৰতীয় সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত। ভাৰতবৰ্ষৰ সাংস্কৃতিক মানচিত্ৰখন তাৰ ভৌগোলিক মানচিত্ৰতকৈ বহুখিনি বৃহৎ।

বিশ্ব-সাহিত্যলৈ
এভুমুকি

১. চীনদেশ সম্বন্ধে পাশ্চাত্য জগতলৈ বিস্তৃত বিবৰণ কোনে পোনপ্ৰথমে দিছিল ?

২. গণিতৰ বিষয়ে বিশ্ববিখ্যাত কোনজন গ্ৰন্থ-প্ৰণেতাই তেওঁৰ সাহিত্যিক কৰ্মৰ বাবে ন'বেল বঁটা পাইছিল ?

৩. মূৰৰ ওপৰত কাছ এটা সৰি পৰাত কোনজন বিখ্যাত নাট্যকাৰৰ মৃত্যু হৈছিল ?

৪. সপোনত দেখা ঘটনাৰ আলমত এখন বিখ্যাত উপন্যাস ৰচিত হৈছিল। এই ঔপন্যাসিকৰ আৰু উপন্যাসখনৰ নাম কি ?

৫. পাশ্চাত্য জগতৰ কোনগৰাকী মহাকবিক বাল্মীকি আৰু ব্যাসৰ সৈতে তুলনা কৰা হয় ?

৬. তেওঁৰ গ্ৰন্থসমূহৰ নাম কি ?

৭. তেওঁ কোনখন নগৰক অমৰ কৰি ৰাখিছে ?

৮. তেওঁৰ প্ৰথমখন গ্ৰন্থৰ নায়িকা কোন ?

৯. তেওঁৰ দ্বিতীয় গ্ৰন্থৰ নায়ক কোন ?

১০ এই কবিজনা কেতিয়া আৰু ক'ত বাস কৰিছিল ?

উত্তৰ

তেওঁলোকনো কোন ?

[ক] দ্ৰোণ ; [খ] দ্ৰুপদৰজা।

বিশ্ব-সাহিত্য

১ মাৰ্ক' প'ল'।

২. বাৰ্ট্ৰাণ্ড ৰাছেল। তেওঁৰ বিখ্যাত গাণিতিক গ্ৰন্থৰ নাম—প্ৰিন্সিপিয়া মেথামেটিকা।

৩. গ্ৰিক নাট্যকাৰ আছিলুছ। এটা উৰি থকা শেন চৰাইৰ নখৰপৰা কাছ এটা তেওঁৰ মূৰৰ ওপৰত সৰি পৰিছিল।

৪. ৰবাৰ্ট লুইছ স্টিভেনছন। ডক্টৰ জিকল্ এণ্ড মিস্টাৰ হাইড।

৫. হোমাৰ।

৬. ইলিয়াড আৰু অ'ডিছি।

৭. ট্ৰয়।

৮. হেলেন।

৯. ইউলিছিছ।

১০. খুব সম্ভৱতঃ খৃষ্টপূৰ্ব নৱম শতিকাত গ্ৰিছদেশত।

নেহৰু-উপাখ্যান-৬

১৯২০ চনৰ শৰতকালত কলিকতাত ভাৰতৰ জাতীয় কংগ্ৰেছৰ অধিবেশন পতা হৈছিল। সদ্য আমেৰিকা-প্ৰত্যাগত লালা লাজপত ৰাই আছিল জাতীয় কংগ্ৰেছৰ এই অধিবেশনৰ সভাপতি।

ভাৰতীয় জনগণে বৃটিছ শাসকসকলৰ সৈতে কোনো ক্ষেত্ৰতে সহযোগ নকৰিব বুলি জাতীয় কংগ্ৰেছে ঘোষণা কৰাটো গান্ধীজীয়ে বিচাৰিছিল। কিন্তু পূৰণি চাম নেতাৰ বুজনভাগেই এই প্ৰস্তাৱৰ সপক্ষে নাছিল। যদিও মতিলালে গান্ধীজীক সমৰ্থন জ্ঞাপন কৰিছিল।

কংগ্ৰেছৰ দ্ৰুত পৰিৱৰ্তন সূচিত হৈছিল। এতিয়া অনুষ্ঠান কেৱল অভিজাতসকলৰ মাজতে সীমাৱদ্ধ নাছিল। নিম্ন-মধ্যবিত্ত শ্ৰেণীৰপৰা খাদি-পৰিহিত কংগ্ৰেছকৰ্মী পৰিলক্ষিত হ'ল আৰু তেওঁলোকে অসহযোগৰ ধাৰণালৈ তেওঁলোকৰ সক্ৰিয় সমৰ্থন জ্ঞাপন কৰিলে।

কংগ্ৰেছৰ এই নতুন পৰিৱৰ্তনক যিসকল ব্যক্তিয়ে মনে-চিতে মানি ল'ব পৰা নাছিল, এম এ জিন্নাহ আছিল তেওঁ-লোকৰ অন্যতম। তেওঁ আছিল কংগ্ৰেছৰ এই নৱ-উদ্দীপনা বিৰোধী।

কংগ্ৰেছৰ অধিবেশনৰ সমাপ্তিৰ অন্তত গান্ধীজীৰ লগত জৱহৰলালো শান্তি-নিকেতনলৈ গ'ল। তাত ৰবীন্দ্ৰনাথ ঠাকুৰৰ সৈতে গান্ধীজীৰ সাক্ষাৎকাৰ এক ঐতিহাসিক তথা স্মৰণীয় ঘটনা। গান্ধীজীয়ে ৰবীন্দ্ৰনাথক বড়দাদা অৰ্থাৎ ককাইদেউ বুলি সম্বোধন কৰিছিল।



অসহযোগ আন্দোলন বিয়পি পৰিল। ১৯২১ চনৰ ডিচেমবাৰত আৰু ১৯২২ চনৰ জানুৱাৰি মাহত — মাত্ৰ এই দুমাহতে ৩০,০০০ ব্যক্তিক কাৰাদণ্ড বিহা হ'ল। জৱহৰলালকো গ্ৰেপ্তাৰ কৰা হ'ল। এয়ে আছিল জৱহৰলালৰ জীৱনৰ প্ৰথম কাৰাবাসৰ অভিজ্ঞতা।

বৃটিছ সাম্ৰাজ্যৰ ভৱিষ্যৎ সম্ৰাট প্ৰিন্স অব্ ওৱেলছ ভাৰত পৰিদৰ্শনলৈ আহিল। কংগ্ৰেছে বম্বে, কলিকতা আদি মহানগৰত তেওঁৰ সন্মানত অনুষ্ঠিত অনুষ্ঠানত উপস্থিত নহ'বলৈ জনগণলৈ আবেদন জনোৱাত বম্বে কলিকতা আদিৰ নগৰৰ ৰাজপথসমূহ সমদল যাওঁতে নিমাওমাও হৈ আছিল।

এই কালছোৱাত চৌৰিচৌৰা নামৰ গাঁৱৰ অধিবাসীবৃন্দই পুলিচে তেওঁলোকক কৰা অকথনীয় অন্যায় অত্যাচাৰৰ প্ৰতিবাদস্বৰূপে থানাত অগ্নিসংযোগ কৰিলে। এই জুইত বিছুমান পুলিচ পুৰি মৰিল। গান্ধীজীয়েএনেহেন হিংস্ৰতাক অনুমোদন নকৰি জাতীয় বিক্ষেভ-আন্দোলন প্ৰত্যাহাৰ কৰিলে।

কিন্তু বিচ্ছিন্ন হিংস্ৰ ঘটনাৰ হেতুকে জাতীয় আন্দোলনক স্তব্ধ কৰি দিয়াৰ কথাত জৱহৰলালে ভাল নাপালে। অন্যান্য নেতৃবৃন্দয়ো গান্ধীজীৰ এই মনোভাব মানি ল'বলৈ টান পালে। কিন্তু গান্ধীজী তেওঁৰ সিদ্ধান্তত অটল থাকিল। এই ঘটনাৰ কিছুদিনৰ পাছতেইগান্ধীজীক গ্ৰেপ্তাৰ কৰা হ'ল।

জৱহৰলালকো দ্বিতীয়বাৰলৈ গ্ৰেপ্তাৰ কৰা হ'ল। কিন্তু আইনৰ বাহু কিমান দীঘল—১৯২৩ চনত ভাৰতৰ দেশীয় ৰাজ্যবোৰতো তেওঁ তাৰ প্ৰমাণ বাৰু-কৈয়েই পাইছিল। পঞ্জাৱত, নাভা-ৰ মহাৰজাক বৃটিছৰাজে সিংহাসনচ্যুত কৰিলে। এজন আই. চি. এছ. বিষয়াক শাসক হিচাপে মকৰল কৰা হ'ল। এই-জন শাসকে জাইত' নামৰ ঠাইত শিখ সকলৰ এক ধৰ্মীয় অনুষ্ঠান বন্ধ কৰিলে।

প্ৰতিবাদস্বৰূপে দলে দলে শিখসকল জাইত'লৈ আগ বাঢ়ি গৈ থাকিল এই অনুষ্ঠান অনুষ্ঠিত কৰিবৰ প্ৰতিজ্ঞাৰে। শিখসকলক বাটত বাধা দিয়া হ'ল আৰু প্ৰহাৰেৰে জৰ্জৰিত কৰা হ'ল। তেতিয়া জৱহৰলাল আৰু তেওঁৰ দুজন সহযোগীকে শান্তনম আৰু গিদোৱানী তালৈ গ'ল ঘটনাৰ সম্পূৰ্ণ আলেখ-লেখ ল'বলৈ।



জৱহৰ আৰু শান্তনমক একেলগে হাত-কেৰেয়া পিন্ধোৱা হ'ল আৰু সৰু চহৰ এখনৰ আলিবাটেদি খোজ কঢ়োৱা হ'ল। গোটেইছোৱা ৰাতি তেওঁলোকক হাত কেৰেয়াৰে বন্দী কৰি ৰখা হৈছিল পাতালৰ অন্ধকাৰ কুঠৰী এটাত। ৰাতিৰ পৰত এন্দুৰ এটাই জৱহৰলালৰ মুখৰ ওপৰত ৰংমনে বগাই ফুৰিছিল।

ৰাজকুঁৱৰীৰ তুলাচনী

শিৱকাশী নামৰ গাঁও এখনত গোপীনাথ নামৰ এজন খেতিয়ক আছিল। গোপীনাথৰ আছিল তিনিজন পুতেক, ৰাজনাথ, ভীমনাথ আৰু সোমনাথ। পুতেকহঁতে তেওঁৰ দৰেই সাধাৰণ খেতিয়কৰ জীৱন-যাপন কৰাটো গোপীনাথৰ ইচ্ছা নাছিল। এই কাৰণে গোপীনাথে তেওঁৰ প্ৰতিজন পুত্ৰক এশকৈ সোণৰ মোহৰ দিলে আৰু নগৰলৈ গৈ বেহা-বেপাৰ বা আন কিবা কামত ধৰিবলৈ ক'লে।

তিনিও নগৰলৈ গ'ল, ইটো-সিটো বহুতো কিবাকিবি কৰিলে আৰু ছমাহৰ অন্তত পুনৰ ঘৰলৈ উভতি আহিল।

গোপীনাথে ভাবিলে যে ল'ৰাহঁতে নিশ্চয় ঢেৰ উপাৰ্জন কৰিহে উভতি আহিল। তেওঁ ডাঙৰ ল'ৰা ৰাজনাথক সুধিলে, "তুমি কিমাননো উপায় কৰিলা, আৰু কি বেপাৰ কৰিলা?"

ৰাজনাথে সৰু মোনা এটাৰপৰা এখন দাপোণ উলিয়াই আনি ক'লে, "বহুত নাকনি-কাননিৰ অন্তত মই এইখন গোটাব পাৰিছোঁ। পৃথিৱীখনৰ ক'ত কি হৈছে— এই দাপোণখনে সেই কথা কৈ দিব। পিছে আন কোনেও নোৱাৰে, কেৱল মইহে চাব আৰু ক'ব পাৰিম।"

তাৰ পাছত গোপীনাথে তাৰ দ্বিতীয় পুত্ৰ ভীমনাথকো একেই কথা সোধাত ভীমনাথে এটা পঞ্চকল্যাণী ঘোঁৰা দেখুৱাই বাপেকক ক'লে' "মই বহু কষ্টেৰে এই ঘোঁৰাটো পাইছোঁ। এই ঘোঁৰাটো কেৱল মাটিৰ ওপৰেদিয়েই নহয়, পানীৰ ওপৰেদি আৰু আকাশেদিও চেঁকুৰ ল'ব পাৰে।

হৰিহৰ বৰ্মন



পিছে—মোৰ বাহিৰে ই আন কাৰো কথা বা আৰ্দেশ নুশুনে-নামানে।”

একেই প্ৰশ্ন কৰাত তৃতীয় ল’ৰা সোমনাথে ক’লে, “দেউতা, মই আঙঠিটো পালোঁ। এই আঙঠিটো পিন্ধি মই মোৰ ইচ্ছামতে যেই-সেই ঠাইলৈ যাব পাৰোঁ, অথচ মোক কোনেও দেখা নাপাব।”

পুত্ৰসৰৰ এনে আচৰিত-আসৰিশ বস্তুবোৰৰ কথা গোপীনাথে ভাবি থাকোঁতেই তাত ৰাজপ্ৰহৰীহঁত আহি ওলালহি, আৰু ঢোল কোবাই কোবাই এটি বিশেষ ৰাজকীয় ঘোষণা জাৰী কৰিলে ঃ

“মহাৰাজ বসন্তসেনৰ একমাত্ৰ অপূৰ্ব-সুন্দৰী কন্যা ৰাজকুঁৱৰী দীপালিক কিছু দিনৰআগতে তান্ত্ৰিক এটাই অপহৰণ কৰি লৈ গ’ল মোহগ্ৰস্ত কৰি। যিজনে এই দুষ্ট তান্ত্ৰিকৰ কবলৰপৰা ৰাজকুঁৱৰী দীপালিক উদ্ধাৰ কৰি আনিব পাৰিব তেওঁৰ সৈতে ৰাজকুঁৱৰীৰ বিয়া পতাৰ উপৰি সেইদেশৰ সিংহাসনৰ উত্তৰাধিকাৰী হিচাপে গণ্য কৰা হ’ব তেওঁক।

দুষ্ট তান্ত্ৰিকে ৰাজকুঁৱৰীক ক’ত লুকাই ৰাখিছে—ৰাজনাথে জাদু-দাপোণত দেখা পালে। সাগৰৰ সোঁমাজত থকা দ্বীপ এটাৰ গুহা এটাৰ মাজত দীপালিক বন্দী কৰি ৰখা হৈছে, আৰু ৰাজকুঁৱৰীৰ চাৰিওফালে সশস্ত্ৰ প্ৰহৰীহঁত থিয় হৈ আছে।

আৰু এই কথা জানি লৈয়েই ভীমনাথে তাৰ ঘোঁৰাৰ পিঠিত ভায়েক সোমনাথক বহুৱাই লৈ তৎক্ষণাৎ সেই গুহাটোৰ কাষত নামিলগৈ। জাদু-আঙঠিৰ শক্তিৰ সহায়ত সোমনাথে অদৃশ্যভাৱে ৰাজকুঁৱৰীৰ কাষ চাপিলেগৈ। তান্ত্ৰিক দুষ্টই সোমনাথক প্ৰচণ্ডভাবে বাধা দিলে। সোমনাথে তাৰ অদৃশ্য তৰোৱালেৰে মহা বদমাছ তান্ত্ৰিকৰ ডিঙি ঘচংকৈ দুছোৱা কৰি তাক খতম্ কৰি পেলালে।

তাৰ পাছত সোমনাথে ৰাজকুঁৱৰীক ঘোঁৰাৰ পিঠিত উঠাই ৰাজধানী পালেগৈ।

ল'ৰাহঁতৰ এনে অভাৱিত-অভিনৱ ক্ষমতাৰ দেখ দেখ প্ৰমাণ পাই গোপীনাথ দস্তুৰমত ভেবা লাগিল। কিন্তু এটা কথালৈ গোপীনাথে মন নকৰাকৈ নাথাকিল যে—তিনিওজন ল'ৰায়েই ৰাজকুঁৱৰীক বিয়া কৰাবলৈ মন মেলিছে।

গোপীনাথে তেওঁৰ ল'ৰাহঁতক সুধিলে, "তোমালোকৰ মাজত কোনেনো ৰাজকুঁৱৰীক বিয়া কৰাবা বুলি ভাবিছা?"

দেউতাকৰ এই প্ৰশ্ন শুনি তিনিওজনেই পৰস্পৰৰ চকুলৈ চালে।

সিহঁতৰ থোহ-মোহ অৱস্থালৈ চাই গোপীনাথে ক'লে, "চোৱা, ৰজাৰ প্ৰশ্নৰ উত্তৰত তোমালোক তিনিওজনেই যদি ৰাজকুঁৱৰীক বিয়া কৰাবা বুলি আগ্ৰহ প্ৰদৰ্শন কৰা, তেনেহ'লে—তোমালোকৰ মাজত প্ৰকট বিৰোধা-বিৰোধীয়ে মূৰ দাঙি উঠিব। তাৰ ফল কিন্তু—হিতে বিপৰীতহে হ'বগৈ। এখন দেশৰ ৰজা হোৱাৰ ইচ্ছা সকলোটিৰ পক্ষেই স্বাভাৱিক। কিন্তু সেই ইচ্ছা পূৰণৰ বাবে তোমালোকে যদি কাজিয়াৰূপী ডাইনা-পালী বজাইছা, তেনেহ'লে যিবোৰ অমূল্য বস্তু তোমালোকে বহু চেষ্টাৰে গোটাইছা, সেইবোৰ আৰু এতিয়াৰ দৰে ব্যৱহাৰ—কিজানি কৰিবই নোৱাৰিবা।"

দেউতাকৰ কথাৰ উত্তৰত ল'ৰাহঁতে ক'লে, "তেনেহ'লে তুমিয়েই কৈ দিয়া



আমি কি কৰিম। তুমি যি ক'বা তোমাৰ কথাকে আমি মানিম।"

গোপীনাথে ক'লে, "তোমালোকৰ প্ৰথম কৰ্তব্য হ'ল ৰাজকুঁৱৰীক ৰজাৰ ওচৰলৈ লৈ যোৱা আৰু তেওঁৰ হাতত গটাই দিয়া। তাৰ পাছত—ৰাজকুঁৱৰীয়ে তোমালোকৰ মাজত যাক পছন্দ কৰিব তাকে বিয়া কৰাব।"

গোপীনাথৰ গুণী পুত্ৰহঁতে ৰাজকুঁৱৰীক ৰজাৰ হাতত সঁপিলে আৰু সকলো বিস্তাৰিতভাবে ৰজাক ক'লে।

তাৰ পাছত—পিতৃৰপৰা নিৰ্দেশ পাই ৰাজকুঁৱৰীয়ে পিতৃক অৰ্থাৎ ৰজাক ক'লে, "দেউতা, এওঁলোকৰ মাজত ৰাজনাথ হ'ল বয়সত ডাঙৰ, ডাঙৰৰ বিয়া আগতে হ'ব—এয়ে সামাজিক ৰীতি। আৰু—তেওঁৰ এই জাদু দাপোণখন নথকাহেঁতেন মোক যে দুষ্ট তান্ত্ৰিকে ক'ত লুকাই থৈছে কোনেও গম নাপালেহেঁতেন। আৰু মই ক'ত আছোঁ নজনাহেঁতেন এই ভীমনাথ আৰু সোমানাথ যথেষ্ট শক্তিধৰ হোৱা সত্বেও নিশ্চয় সা-সন্ধান নাপালেহেঁতেন, বা মোৰ কাষ চপাটো অসম্ভৱ হ'লহেঁতেন। গতিকে সকলো কথা চালিজাৰি চোৱাৰ পাছত ডাঙৰ ৰাজনাথক বিবাহ কৰাৰ বাহিৰে মই আন একো ভাবিব নোৱাৰোঁ। যদিও—ভীমনাথ আৰু সোমনাথকো যদি যথাক্ৰমে সেনাপতি আৰু মুখ্যমন্ত্ৰী পতা হয়, তেন্তে মোটামুটিভাৱে সুবিচাৰ কৰা হ'ব বুলি মোৰ ধাৰণা।"

ৰাজকুঁৱৰীৰ এই সুসিদ্ধান্ত ৰজাৰ মতে আৰু তাৰ উপস্থিত থকা অন্যান্যৰ মতেও গ্ৰহণযোগ্য হ'ল আৰু এনে সিদ্ধান্তৰ বাবে ৰাজকুঁৱৰীক সকলোৱে শলাগিলে।

ৰাজনাথৰ সৈতে ৰাজকুঁৱৰীৰ বিবাহ হ'ল; ৰাজনাথ হ'ল ৰজা। ভীমনাথক আৰু সোমনাথক যথাক্ৰমে সেনাপতি আৰু মুখ্যমন্ত্ৰীৰ বাব দিয়া হ'ল।



কৃষ্ণাৱতাৰ

২২

কৃষ্ণই
যিখন যজ্ঞ পাতিছিল,
সেই যজ্ঞখন সমাপ্ত হ'ল।
বহু সহস্ৰ ব্ৰাহ্মণ আৰু লগতে অৰ্জুন,
সাত্যকী প্ৰমুখ পঞ্চাছগৰাকী আলহীক আথেবেথে
বহুৱাই ভোজন কৰোৱা হ'ল। যথ যথভাৱে ভোজনৰ অন্তত
এই বিষয়ে অৰ্জুনে কৃষ্ণক সুধিলে, "সেই ব্ৰাহ্মণপুত্ৰৰ কেনেকৈ যে কি
ঘটিছিল আমি একেবাৰে সুঁজা হৈ থাকিলোঁ। ব্ৰাহ্মণপুত্ৰটিক কোনে
অপহৰণ কৰি লৈ গৈছিল? ক'তনো সেই ব্ৰাহ্মণপুত্ৰক অপহৰণকাৰীয়ে লুকাই ৰাখিছিল?"

●

"সমগ্ৰ সৃষ্টিৰ মূলীভূত হেতু পৰমেশ্বৰে চাব খুজিছিল যে মই ব্ৰাহ্মণপুত্ৰলৈ
আওহেলা কৰোঁনে নকৰোঁ। মোক পৰীক্ষা কৰাৰ মনেৰেই ব্ৰাহ্মণ-
পুত্ৰক অদৃশ্য কৰা কৰা হৈছিল আৰু ময়ো সমুদ্ৰৰ
বুকুৰেদি বাট উলিয়াই আকাশ ফালি
পৰ্বত ভেদি তালৈ আগুৰাই
গৈছিলোঁ।" এই কথা
কোৱাৰ অন্তত
কৃষ্ণ ৰ'ল।

'কৃষ্ণৰ কৈলাস গমন'

তাৰ পাছত অৰ্জুন উভতি গ'ল আৰু এই অত্যদ্ভুত ঘটনাৰ কথা যুধিষ্ঠিৰক সবিস্তাৰে বৰ্ণাই আনন্দ প্ৰদান কৰিলে।

এদিন ৰুক্মিণীয়ে কৃষ্ণক ক'লে, "মই প্ৰদ্যুম্নৰ নিচিনা পুত্ৰক জন্ম দিলোঁ। কিন্তু মোক আৰু পুত্ৰসন্তান লাগে। আপোনাৰ নিচিনা যোগ্য এটি পুত্ৰলাভ কৰিবলৈ মই অধীৰভাৱে বাট চাই আছোঁ।"

"মই দেৱাদিদেৱ মহাদেৱক আৰাধনা কৰি তোমাক আন এটি পুত্ৰ প্ৰদান কৰিম। তপস্যাৰে নোহোৱা কাৰ্য্য নাই। হিমালয়লৈ গমন কৰি শংকৰ-মহাদেৱক প্ৰণাম কৰিম, আৰু যাওঁতে বদ্ৰীবনত তপস্যামগ্ন তপস্বীসকলকো চাই যাম। এই যাত্ৰা মংগলদায়ী হ'ব। এই কাৰণে মই কৈলাসলৈ যোৱাৰ পাছত প্ৰত্যাৱৰ্তন কৰিম।" কৃষ্ণই ক'লে।

পাছদিনা প্ৰভাতবেলিকা কৃষ্ণই বলৰাম, সাত্যকি, উগ্ৰসেন, কৃতবৰ্মা, উদ্ধৱ আৰু অন্যান্য গণ্য-মান্যসকললৈ বাতৰি পঠালে সভাস্থলীলৈ আহিবলৈ। বাতৰি পাই সৰ্বজন অনতিপলমে সভাস্থলীলৈ আহিল আৰু অহাৰ পাছত কৃষ্ণই তেওঁলোকক সম্বোধন কৰি ক'লে :

"মই মোৰ প্ৰায় সকলো শত্ৰুকেই বিনাশ কৰিলোঁ; কিন্তু এটি অত্যন্ত পৰাক্ৰমী মহাশত্ৰু অদ্যাপি বৰ্তি আছে। তাৰ নাম পৌণ্ড্ৰ। পৌণ্ড্ৰ প্ৰকৃততেই মহাশক্তিধৰ, আৰু লাজলগা হ'লেও কওঁ, ময়ো তাৰ ভয়ত ভীত। পৌণ্ড্ৰক সংহাৰ কৰিব পাৰিলেহে মই সঠিক বিজয় লাভ কৰা বুলি ভাবিম। কিন্তু এতিয়াই মই এক বিশেষ কাৰণত কৈলাসলৈ যাব লাগিব। ইপিনে — মোৰ অনুপস্থিতিৰ সুযোগত পৌণ্ড্ৰই নিশ্চয় আমাৰ নগৰ আক্ৰমণ কৰিবহি। পৌণ্ড্ৰই বিশ্বৰ সকলো যদুবংশীয় লোকক হত্যা কৰিব, আৰু সেই ক্ষমতাও তাৰ একেবাৰে নথকা নহয়। এতেকে — মই কৈলাসৰপৰা উভতি

নহালৈকে আপোনালোক দিনে-নিশাই এই নগৰ ৰক্ষা কৰাৰ বাবে সদা-সৰ্তক হৈ থাকিব লাগিব। বিনা অনুমতিৰে কাকো এই নগৰৰপৰা ওলাবলৈ, বা সোমাবলৈকো নিদিব। চাৰি অংগৰ— অৰ্থাৎ চতুৰংগী সেনা সদায় সাজু হৈ থাকে যেন। অস্ত্ৰ-শস্ত্ৰ যেন সদায় ধৰাল-চোকাল হৈ থাকে। এইদৰে নগৰৰ চাৰিওদিশ সুৰক্ষিত কৰি ৰাখিব।"

তাৰ পাছত কৃষ্ণই সাত্যকিক ক'লে, "শুনা সাত্যকি, এই নগৰ ৰক্ষাৰ পৰিপূৰ্ণ দায়িত্ব মই তোমাৰ ওপৰত অৰ্পিছোঁ। যদুবংশৰ সৰ্বসম্পদ ৰক্ষাৰ ভাৰ তোমাৰ।"

সাত্যকিয়ে ক'লে, "আপোনাৰ আদেশ আৰু বলৰামৰ সহযোগিতা পালে কৰিব নোৱৰা কাম মই নেদেখোঁ। যদি স্বয়ং ইন্দ্ৰয়ো সমস্ত দেৱতাকো লগত লৈ আমাৰ এই নগৰ আক্ৰমণ কৰেহি, তথাপি মই ভ্ৰূক্ষেপ নকৰোঁ।"

তাৰ পাছত উগ্ৰসেন, বলৰাম আৰু অন্য অন্যান্যকো সাৱধান হৈ থাকিবলৈ কোৱাৰ অন্তত কৃষ্ণই গৰুড়ক সুঁৱৰিলে।

লগে লগে গৰুড় আহি ওলালহি আৰু কৃষ্ণৰ আদেশলৈ বৈ থাকিল। কৃষ্ণই ক'লে যে তেওঁ কৈলাসলৈ যাত্ৰা কৰিব। গৰুড়ে কৃষ্ণক পিঠিত উঠাই লৈ বিশাল ডেউকা মেলি সৌন্দৰ্য্যমণ্ডিত হিমালয়স্থ কৈলাসলৈ বুলি সবেগে উৰা মাৰিলে।

মাজবাটত কৃষ্ণ বদ্ৰীবনত নামিল। তাত মুনিগণে কৃষ্ণক যথোপযুক্তভাৱে আদৰিলে। কৃষ্ণই মুনিগণৰ আতিথ্য গ্ৰহণ কৰি তাতেই সেই নিশা যাপিলে। মাজনিশা কৃষ্ণৰ মন গ'ল তাত পৰিভ্ৰমণ কৰাৰ। বহু পৰলৈকে পৰিভ্ৰমণৰ অন্তত তেওঁ এক মনোমোহা স্থান পালেগৈ আৰু তাত তেওঁ স্বস্তিকাসন পাৰি সমাধিস্থ হ'ল।

ঠিক তেতিয়াই হাজাৰ-বিজাৰ ৰাক্ষসে হৰিণা এটিক খেদি খেদি তালৈ আহি পালেহি। এই ৰাক্ষস-নেতা আছিল

ঘণ্টাকৰ্ণ আৰু তাৰ ভায়েক। সিহঁত দুয়ো কৃষ্ণৰ কাষ চাপিল। সিহঁতে সুধিলে, "হে মহানুভৱ! আপুনি কোন? দেখাত আপুনি অতি নয়নাভিৰাম। আপুনিনো এই অৰণ্যত সোমাইছেহি কিয়? আপুনি ৰাক্ষসনে দেৱতা?"

"মই যদু-বংশীয় ক্ষত্ৰিয়। দুষ্টৰ সংহাৰ আৰু শিষ্টৰ পালন কৰা মোৰ কাম। দেৱাদিদেৱ মহাদেৱৰ দৰ্শনাৰ্থে মই কৈলাসলৈ গৈ আছোঁ। কিন্তু—তোমালোকনো কোন? এই ঠাই সাধু-সজ্জনৰ নিবাসস্থান। হৰিণাৰ ওপৰত হিংস্ৰতা ইয়াত নিশ্চয় নিষিদ্ধ। যদি হৰিণা চিকাৰ কৰিবলৈ তোমালোক এই ঠাই পাইছাহি, মই তোমালোকক ক্ষমা কৰিব নোৱাৰোঁ।" কৃষ্ণই সিহঁতক ক'লে:

এই কথা শুনি ঘণ্টাকৰ্ণই ক'লে, "মোৰ নাম ঘণ্টাকৰ্ণ আৰু এওঁ মোৰেই ভাই। মই বিষ্ণুভক্ত। এই হাজাৰ-বিজাৰ ৰাক্ষস যে দেখিছে—মোৰেই সৈন্য। মই কুবেৰৰ সেৱক। বিষ্ণুপূজাৰ কাৰণেই হৰিণা চিকাৰ আৱশ্যক। গতিকে—আমাৰ এই কাৰ্য্যক হিংস্ৰতা বুলি ক'ব নোৱাৰি। মোৰ আন এটি কথা শুনক—মোৰ ইষ্টদেৱতা বসুদেৱৰ পুত্ৰৰূপে জন্ম গ্ৰহণ কৰি দ্বাৰকাত আছে। তেওঁক দৰ্শন কৰিবলৈহে মই সেনাবাহিনীৰে সৈতে ওলাইছোঁ আৰু গৈ আছোঁ।"



এই কথা কোৱাৰ অন্তত ঘণ্টাকৰ্ণই তাতে উপবেশন কৰি নিজ-দেৱতাৰ ধ্যান কৰি থাকিল।

এই দৃশ্য দেখি কৃষ্ণই এই কথা ভাবি আনন্দিত হ'ল যে—এই ঘণ্টাকৰ্ণ আচলতে তেওঁৰহে ভক্ত; কিন্তু তাৰ কাৰ্য্য পৈশাচিক। কৃষ্ণই ঘণ্টাকৰ্ণৰ মনত নিজৰূপে দৰ্শন দান কৰিলে। পাছত ঘণ্টাকৰ্ণই তেতিয়া চকু মেলি চালে, বেতিয়া সমুখতো সেই একেই ৰূপত কৃষ্ণক দেখি আনন্দৰ আবেগত জঁপ মাৰি উঠি নাচি নাচি চিঞৰি খলক লগালে, "মই কৃষ্ণক দেখা পালোঁ, বিষ্ণুৰ দৰ্শন পালোঁ— !" আৰু লগে লগে ঘণ্টাকৰ্ণই কৃষ্ণ-স্তোত্ৰ গাবলৈ ধৰিলে। তাৰ পাছত এটি শৰদেহ উলিয়াই আনি তৰোৱালেৰে টুটুকুৰা কৰি ক'লে, "এই দেহ এগৰাকী পৱিত্ৰ ব্ৰাহ্মণৰ শৰদেহ। মই তোমালৈ ভক্তিভাৱেৰে ইয়াক আগবঢ়াইছোঁ, গ্ৰহণ কৰাঁ।"

কৃষ্ণৰ মনত ঘণ্টাকৰ্ণলৈ পুতৌ উপজিল। তথাপি কৃষ্ণই তাক বুজনি দিলে, "শুনা বৎস! আমি শৰদেহ আনকি স্পৰ্শও নকৰোঁ। এনেবোৰ পৈশাচিক পূজালৈ আমাৰ বৰ ঘৃণা। সাধাৰণ ৰাক্ষসে কৰা এনেবোৰ ঘৃণ্য পূজাই তোমাক নুশুৱায়। তুমি সদা-সৰ্বক্ষণ যদি মোকেই সুঁৱৰিছা, মই তোমাক উন্নত লোকলৈ লৈ যাম।" এই বুলি কৈয়েই কৃষ্ণই ঘণ্টাকৰ্ণৰ দেহ



স্পৰ্শ কৰিলে আৰু স্পৰ্শমাত্ৰ লো সোণলৈ ৰূপান্তৰিত হোৱাৰ দৰে, পৰশমণিৰ দৰে স্পৰ্শ লাভ কৰা মাত্ৰেই সেই বিৰাটদেহী ৰাক্ষস ঘণ্টাকৰ্ণ এক দিব্যপুৰুষলৈ পৰিৱৰ্তিত হৈ আলোকময় হৈ পৰিল।

চাওঁতে চাওঁতে ৰাতি পুৱাল। বেলি ওলাল। কৃষ্ণই গংগাত স্নান সমাপন কৰিলে, আৰু তাৰ পাছত বদ্ৰীবনৰ মুনিগণৰপৰা বিদায় লৈ পুনৰ কৈলাসলৈ বুলি যাত্ৰা কৰিলে।

কৈলাসৰ প্ৰায় ওচৰ চপাৰ লগে লগে কৃষ্ণই তাৰ বহু বিচিত্ৰ দৃশ্য দেখি আনন্দত আপ্লুত হ'ল। অলপ পাছত তেওঁ মান-সৰোবৰৰ উত্তৰ তীৰত গৰুড়ৰ পিঠিৰপৰা অৱতৰণ কৰিলে। তাত তেওঁ দ্বাদশবৰ্ষ অৰ্থাৎ বাৰ বছৰকাললৈ কঠোৰ তপস্যা কৰিবলৈ সাজু হ'ল।

যেতিয়া তপস্যাৰ দ্বাদশবৰ্ষ অতিক্ৰান্ত হ'ল, তেতিয়া দেৱৰাজ ইন্দ্ৰ আৰু অন্যান্য দেৱতায়ো কৃষ্ণক দৰ্শন কৰিবলৈ আহিল; কিন্তু কৃষ্ণই কিয় যে এই সুদীৰ্ঘ বাৰ বছৰলৈ তপস্যা কৰিবলগীয়া হ'ল, সেই কথা ঠাৱৰ কৰিব নোৱৰা হ'ল।

দ্বাদশ বছৰ অতিক্ৰান্ত হোৱাৰ পাছ-দিনাই পাৰ্বতীৰে সৈতে স্বয়ং দেৱাদিদেৱ মহাদেৱ বৃষ-বাহনৰ ওপৰত উঠি উপস্থিত হ'ল। আৰু লগে লগে পুষ্পক ৰথাৰূঢ় হৈ লগ লাগি আহিল কুবেৰ। বিঘ্নেশ্বৰ, কুমাৰস্বামী প্ৰমুখও নিজ নিজ বাহনত উঠি গৈ থাকিল, আৰু নাচি নাচি গাই গাই গৈ থাকিল নন্দী, মহাকাল আৰু অসংখ্য ভূত।

কৃষ্ণক দূৰৈৰপৰাই দেখা পাই মহাদেৱ পাৰ্বতীৰে সৈতে তেওঁৰ বাহনৰপৰা অৱতৰণ কৰিলে, আৰু কৃষ্ণয়ো বহু দূৰৈৰপৰাই শিৱক অৰ্থাৎ মহাদেৱক দেখা পাই আসনৰপৰা উঠি, সমুখলৈ আগুৱাই গৈ প্ৰণাম কৰি দণ্ডায়মান হ'ল। আৰু এই-দৰে শিৱ-কেশৱক একেলগে দেখা পাই দেৱতা সকলেও ধন্য মানিলে।


Sankar

কৃষ্ণই পুনৰ শিৱক সেৱা কৰি শিৱৰ স্তুতিগীতি গাবলৈ ধৰিলে। পৰিতুষ্ট শিৱই কৃষ্ণৰ হাত নিজৰ হাতত লৈ ক'লে, "কৃষ্ণ, তুমি ইয়াৰপৰা আগতেও নিজৰ তপোবলেৰে মোৰপৰা বৰ লাভ কৰি এটি পুত্ৰ প্ৰাপ্ত হৈছিলা। মই আগৰ কালত—কৃতযুগত —শতবৰ্ষব্যাপী তপস্যা কৰিছিলোঁ এক বিশেষ সংকল্প লৈ। তেতিয়া মোৰ পৰিচৰ্য্যাৰ বাবে হিমালয়ে নিজৰ পূৰ্ণবয়স্ক কন্যাক আৰু সেই কন্যাৰ সখিয়েকক মোক সমৰ্পণ কৰিছিল, ময়ো মানি লৈছিলোঁ। আমাৰ মিলনৰ বাবে ইন্দ্ৰই কামদেৱক প্ৰেৰণ কৰিছিল। কামদেৱ মোৰ তপস্যা ভংগ হোৱালৈ ৰৈ থাকিল আৰু ইত্যৱসৰত মোৰ হৃদয়ত কামভাৱ তথা সম্মোহন প্ৰয়োগ কৰিলে চাওঁতে চাওঁতে মোৰ বিকাৰ উপস্থিত হ'ল আৰু মই পাৰ্বতীলৈ দৃষ্টিপাত কৰিলোঁ। পাৰ্বতীলৈ মই অপৰূপ দৃষ্টিৰে চালোঁ, আৰু কামদেৱেও মোৰ আগত দেখা দিলে। তেতিয়া মই ভাবিলোঁ যে এই দুষ্টক বধ কৰা আৱশ্যক। আৰু লগে লগে মোৰ তৃতীয় নেত্ৰৰপৰা অগ্নি ওলাল। আকাশৰপৰা দেৱতাসকলে চিঞৰি ক'লে, "দয়া কৰি কামদেৱক দণ্ড নিদিব!" আৰু লগে লগে ব্ৰহ্মা আহি ওলালহি আৰু মোৰ সেই সংকল্প অনুসাৰে তোমাৰ পুত্ৰক নিৰ্ধাৰিত কৰিলে। সেই পুত্ৰ হ'ল ৰুক্মিণীৰ প্ৰথম সন্তান। গতিকে—তোমাৰ বৰ্তমান তপস্যাৰ ফল তুমি পূৰ্বতেই প্ৰাপ্ত হৈছা।"

তাৰ পাছত শিৱই তাত উপস্থিত থকা মুনিসকলক ক'লে যে তেওঁলোকে কৃষ্ণক শ্ৰীমন্নাৰায়ণৰূপে পূজে যেন। এই কথা কৈয়েই শিৱ আৰু পাৰ্বতী, বিঘ্নেশ্বৰ, কুমাৰস্বামী, নন্দী প্ৰমুখ প্ৰমথ সকলো অন্তৰ্হিত হৈ পৰিল।

আৰু তেতিয়া পৰিতুষ্ট কৃষ্ণ পুনৰ বদ্ৰীবনলৈ উভতি গ'ল।



দায় লাগিলে ভাঙে দায়

শিৰপুৰীয়া কাশীনাথ আছিল এজন সাধাৰণ গৃহস্থ। কাশীনাথৰ মাক আৰু ঘৈণীয়েকৰ মাজত সদায় যে লাওপাত-কচুপাত। ঘৈণীয়েক গিৰিজায়ো বাৰেৰে, মাকো তেৰেৰে। মাকে সকলো কথাতে ফেৰ পাতি ধৰে। আৰু এইবাবে হ'ল কাশীনাথৰ তলে শিল ওপৰে কিল অৱস্থা।

এবাৰ কাশীনাথ বেমাৰত পৰিল আৰু ভালমান দিনৰ পাছতহে বহুত বেজৰ বহু চেষ্টাত মুঠমাঠ সুস্থ হৈ উঠিল।

এদিন গিৰিজাই গিৰিয়েক কাশীনাথক ক'লে, "বোলোঁ — শুনিছেনে? মই আপোনাৰ নামত বাবা বদ্ৰীনাথলৈ মানস কৰিছিলোঁ। দৰ্শনলৈ ওলাব লাগে।"

কাষতে বহি মাকেও এৰাঁ গাখীৰ ঘোদালি আছিল। মাক দুৰ্গায়ো টপৰ কৰে কৈ উঠিল, "ঐ বাপু, ময়ো মানস নকৰাকৈ নাছিলোঁ। আমি একেলগেই বদ্ৰীনাথ বাবাৰ থানলৈ ওলাম দে।"

বেমাৰৰপৰা ভাল হৈ উঠোঁতে কাশীনাথৰ জেপ ভালেকৈয়েই উদং হৈছিল, এতিয়া আকৌ এইবোৰ শুনি অলপ কেঁহাকে লাগিল। পিছে—মাক-ঘৈণীয়েকে যে বেলেগ বেলেগ ঠাইলৈ নগৈ একেজন দেৱতাৰ কাষ চাপিব—তেও ভাল।

তাৰ পাছত কাশীয়ে তাৰ বন্ধু এজনৰ পৰা কিছু ধন ধাৰলৈ ল'লে আৰু পাছদিনা বদ্ৰীনাথলৈ বুলি ঘোঁৰা এৰি দিলে।

তিনিও ঘোঁৰাৰ পিঠিত উঠি বাবা বদ্ৰীনাথৰ পাহাৰ পালেগৈ। আৰু পাহাৰ পোৱাৰ পাছৰপৰাহে কাশীনাথক আলৈ-বিলৈয়ে আদৰিবলৈ ধৰিলে। গিৰিজাই

বনমালী দাস



পাহাৰৰ বাটে বাটে থকা প্ৰতিজন দেৱতাৰ কাৰণে গিৰিয়েকৰপৰা পইচা খোজা হ'ল আৰু উদক দেখি বোন্দাই ডুবিয়াৰ দৰে বোৱাৰীক দেখি শাহুৱেকেও অৰ্থাৎ কাশীৰ মাকেও কাশীক হেমতালৰ কোব দিয়া হ'ল। দুজনীকেই সেৱা-ভকতিৰ কাৰণে বেলেগে ধন লাগে।

খঙে কাশীনাথৰ যদিও তালু পালেগৈ, তথাপি হোঁ-হেঁকো একো নামাতি হোমৰ গুৰিত পূৰ্ণা দিবলৈ ধৰিলে।

আৰু তাৰ পাছত বাবা বদ্ৰীনাথৰ দৰ্শনৰ পাছত পুনৰ ঘৰমুৱা হ'ল।

মাক দুৰ্গাই হেঁাপাই-ফোঁপাই ক'লে, “বোপা ঐ, টাটুঘোঁৰাৰ বন্দবস্ত কৰ।”

“উস্! আই ঔ! মোৰ যিহে ভৰি বিষাইছে!” ঘৈণীয়েকেও কৈ উঠিল।

এইবাৰ কাশীয়ে জঁকি উঠি ক'লে, “বাঃ বাঃ! বঢ়িয়া! মোৰ জেপ খেপিয়াই চোৱা, কণা-মাকৰিও এটা নাই। পাহাৰৰ-পৰা খোজ কাঢ়ি নামিব লাগিবই।”

“বোলোঁ—তই কি কৈছ অ'? এই কথা তই বদৰীবাবালৈ আহোঁতেই ক'ব লাগিছিল নহয়?” মাকে মকমকালে।

“কথাটো আমাক আগে কোৱাহেঁতেন আপোনাক ২া.ঘ খালেহেঁতেননে বাৰু?” গিৰিজায়ো গিজগিজাই উঠিল।

“মতা মানুহৰ জেপত কি আছে-কি নাই—মাইকী মানুহে তাৰ খবৰ ল'লেই দেখোন লেঠা গুচে। ধনলৈ ধেধেয়া পৰ্বতলৈ যাব নোৱাৰিম নহয়? কষ্ট নকৰিলে পুইণ নাই। ব'লা খোজ কাঢ়ি।” এই বুলি কৈয়েই কাশীনাথে পাহাৰৰ খটখটিয়েদি নামিবলৈ ধৰিলে।

আৰু শেহান্তৰত খেচা খাই খোজ দি ভৰ দুপৰীয়া তিনিও ঘৰ পালেহি।

"শুনা, জলদি জলদিকৈ ভাত বনাবা। মই একেবাৰে ভাগৰি পৰিছোঁ।” এই কথা ঘৈণীয়েক আৰু মাককো কৈয়েই কাশীনাথ কিবা জৰুৰী কামলৈ ওলাই গ'ল।

“জলদিকৈ চৰু বহাই' দিয়া। মই একো কৰিব নোৱাৰিম আগতেই কৈ থ'লোঁ।” শাহুৱেকে বোৱাৰীক ক'লে।

“ময়ো তোমাক একেটা কথাকে কৈছোঁ, জল্‌দি জল্‌দিকৈ ৰান্ধাগৈ, একদম দেৰি নকৰিবা, বুইছা?” বোৱাৰীয়ে শাহুৱেকক শ-মুঙহেন হৈ ক'লে।

আচল কথা হ'ল—শাহু-বোৱাৰীৰ মাজত প্ৰায় অহি-নকুল সম্পৰ্ক। সকলো কথাতে জুইজ্বাল-পানীঢাল। পুৱাৰ ভাত মুঠি বোৱাৰীয়েকে ৰান্ধে, ৰাতিৰ সাজ শাহুৱেকে। কিন্তু তেতিয়া বেলিয়ে প্ৰায় ভাটি লওঁ লওঁ। এই কথাতে লাগিল কেনা। দুজনীৰ এজনীয়েও নৰন্ধাকৈ হাত সাবটি বহি থাকিল।

অলপ পাছত কাশী উভতি আহিল। আহিয়েই গম পালে যে ভাত-চাত একো নাই হে'ৱা। কাশীনাথৰ কালিকাতে চৰিল। সি ঘৈণীয়েকক ক'লে, “তোমাৰ সাহ দেখিছোঁ—বৰ বাঢ়ি গৈছে। মোৰ মূৰত ভুতুনীৰ দৰে লম্ভিছাহি, — হেঁ?” তাৰ পাছত মাকক ক'লে, “মা, তুমি তো ডাঙৰ, তোমাৰনো কি কৰ্ত্তব্য? তোমালোক দুজনীয়ে মিলি মোক দগৰ দহা দিছা! ছিঃ! ছিঃ— !” এই বুলি কৈ খঙৰ ভমকত ঘৰ এৰি ওলাই গ'ল।

শাহুৱেকৰ আগত গিৰিয়েকৰপৰা গালি খাই ঘৈণীয়েকে ঘাটি খোৱা যেন



পাইছিল ; আনহাতে বোৱাৰীৰ আগত শাহুৰেকেও শিলে-খুন্দাটি যেন হৈছিল।

অলপ পাছত মাকৰ ঘৰলৈ গুচি যাব বুলি গিৰিজাই নিজৰ কাপোৰ-কানিখিনি বাকচত ভৰাবলৈ ধৰিলে, অৰু মাক দুৰ্গাই অৰ্থাৎ শাহুৰেকে তেওঁৰ মাজু ল'ৰাৰ ঘৰলৈ গুচি যাবলৈ সাজু হ'বলৈ ধৰিলে।

ঘটনাচক্ৰত — দুয়োজনীৰ গন্তব্যস্থল আছিল একেইখন চহৰলৈ।

বোৱাৰীয়ে পিছমুৰা হৈ শাহুৰেকক ক'লে, "আপোনালোকৰ ঘৰ। গতিকে— ঘৰৰ তলাৰ চাবি চুবুৰীয়া কাৰোবাক দিবনে নিদিব আপুনিহে জানিব।"

"এই ঘৰ হ'ল তোমাৰ। গতিকে—কি কৰিবা-নকৰিবা তুমিহে জানিবা।" শাহুৰেকে জোকোৰা মাৰি ক'লে।

তাৰ পাছত—ঘৰত তলা নলগোৱা-কৈয়েই দুয়োজনীয়েই ঘৰৰপৰা ওলাল। দুয়োজনীয়েই এটা চাৰিআলি পালেগৈ। চাওঁতে চাওঁতে ঘোঁৰাৰ গাড়ী এখন তালৈ আহিল আৰু ঘোঁৰাৰ গাড়ীৰ চালকে যেতিয়া বুজি পালে যে দুয়োজনী একেখন চহৰলৈ যাব, তেতিয়া দুয়োজনীৰ এজনীক গাড়ীৰ আগফালে বহিবলৈ ক'লে।

"মই আগত নাযাওঁ, আপুনি য'ক।" বোৱাৰীয়ে শাহুৰেকক ক'লে।

"মই ইয়াৰপৰা চুলি পৰিমাণো নাতঁৰো। তুমি আগত বহাগৈ।"

আৰু ঠিক এনেতে গাড়ীখন কাতি হৈ এটা বহল গাঁতত পৰিলগৈ।

গাঁতটোত বোকাপানী আছিল। বোকাপানীৰে লুতুৰি-পুতুৰী হৈ গাঁতটোৰপৰা উঠি আহি এজোপা গছৰ তলত টেমীহেন হৈ পিঠিয়াপিঠি হৈ বহি থাকিল।

এনেকৈ আধাঘণ্টামান বহি থকাৰ অন্তত দুৰ্গাই কাশীনাথৰ ঠিকনা গাড়ীৰ চালকক ক'লে আৰু তাক মাতি আনিবলৈ পঠালে।

খবৰ পাই কাশীনাথ কোনে বোলে ক'লৈ ঘোৰাকৈ চপলিয়াই আহিল।

আৰু পুতেকক দেখা পায়েই মাকে চকুলো বোওৱাৰ ভাও জুৰি কৈ উঠিল, “চা চা, চাই লঃ—তোৰ তায়েই মোৰ এনে হনুমন্তী দশা কৰিলে।”

“মোৰ নামত কিয়নো লগাইছে ?” শাহুৰেকক কথাটো কৈয়েই মুখখন ঘূৰাই লৈ গিৰিজাই উচুপি উচুপি ক'লে, “তোমাৰ মাৰাই আগৰ ফালৰ পৰা গৈ বহাহেঁতেন মোৰ এনে অথান্তৰখন নঘটিলহেঁতেন !”

ইহঁত দুজনীৰ এনে দুৰ্দশালৈ চাই কাশীয়ে দুয়োজনীক ক'লে, শুনা, “হোৱা-খিনি হৈ গ'ল, গ'ল কথা গুচিল। পিছে—এই দুৰ্দশাৰপৰা যদি এতিয়াও শিকনি লোৱা—মই ভাল পাম।”

অলপ পৰলৈ দুয়োজনী নিমাতে থাকিল। তাৰ পাছত বোৱাৰী গিৰিজাই লাহেকৈ ক'লে, “ঠিক কথা, পৰস্পৰৰ লগত ইছুতা-সিছুতাত কাজিয়া কৰি জুৰৰ দাহত বেৰক লথিউৱাৰ থান হেৰুৱাই মান হেৰুউৱাৰ কোনো অৰ্থ নাই।”

“মোৰো কথা সেয়ে। ব'লা বোৱাৰী, ঘৰলৈ যাওঁ ব'লা।” শাহুৰেকে বোৱাৰীৰ হাতত ধৰি ক'লে।

“আৰু ঘৰ !” কাশীয়ে কুকবকাই ক'লে, “তোমালোকে খং উঠি ঘেং কৰি ঘৰ খুলি থৈ গুচি আহিলা, মইয়ো নাছিলোঁ। চৰ ডকাইতহঁতে লুট নিলে। তোমালোক য'লৈকে গৈ আছিলা — তালৈকে গৈ থাকা আৰু যদি ক'লৈকো নোযোৱা— এতে বৈ থাকা।”

“নহয়, তথাপি আমি ঘৰলৈক যাম। আমি দুয়োজনীয়ে মিলি পুনৰ ঘৰখনক ধনে-ধানে টনকিয়াল কৰি তুলিম। আৰু কেতিয়াও আমি কি বোলে—ছাঁ চাই নানাচোঁ। মিছামিছি কাজিয়া-কন্দল কৰি আৰু তিতালাউ গজিবলৈ নিদিওঁ।”

এই কথা শুনি কাশীনাথৰ বাঁহী বজাই বজাই নাচিবলৈ মন গ'ল।



বহিব জানিলে

কোনোবা এখন দেশত এটা পুখুৰীৰ পাৰত টোকোৰা পঁজা এটাত এজন দুখীয়া হলোৱা আছিল। হালোৱাৰ আছিল তিনিজন ল'ৰা। মাক-দেউতাক ঢুকোৱাৰ অন্তত ডাঙৰ আৰু মাজু ল'ৰাই মিলি পিতৃ-সম্পত্তিখিনি আত্মসাৎ কৰাৰ মনেৰে ডাঙৰে ক'লে- "এই ঘৰটো হ'ল মোৰ।"

মাজুৰে ক'লে, "ঘৰৰ সকলো বয়-বস্তু আচবাবপত্ৰ মোৰ।"

তেতিয়া সৰুৱে সুধিলে, "তেনেহ'লে মোলৈনো কি থাকিল ?"

এই প্ৰশ্নৰ উত্তৰত ডাঙৰ আৰু মাজুৱে সৰুক গৰু বুলি ভাবি লৈ ক'লে, "তোকো ভাগ লাগিবনে ? ঘৰ আৰু ঘৰৰ বয়-বস্তু আচবাবপত্ৰ বাদে যি পাবি তাকে ল'বি।"

তেতিয়া সৰুৱে গোটেই ঘৰতে তন্ন তন্নকৈ বিচাৰি এডাল অতি দীঘল ৰছীৰ বাহিৰে আন একো বিচাৰি নাপালে।

ৰছীডাল কান্ধত পেলাই লৈ সৰুৱে পালেগৈ পুখুৰীৰ পাৰ। পুখুৰীৰ পাৰত বহি সি কেনেকৈ কি কাম কৰি পেট প্ৰৱৰ্তাব তাকে ভাবি থাকিল।

হঠাৎ সি ভাবিলে ঃ এই ৰছীডালেৰে জাল বনাই মই যদি বিভিন্ন প্ৰাণী ধৰি পেট প্ৰৱৰ্তাব পাৰিম দেখোন।

এই কথা ভবাৰ লগে লগেই সি কাম আৰম্ভ কৰি দিলে। তাৰ পাছত ৰছীৰে বনোৱা জালেৰে সি কেৰ্কেটুৱা এটাক ধৰি সজাৰ ভিতৰত থৈ দিলে। এইদৰে সি এটা শহাকো ধৰিলে আৰু সজাত ভৰাই থ'লে।

তাৰ পাছত এই পুখুৰীৰ পাৰতে

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



সৰুৱে তাৰ নিজাকৈ পঁজা এটা সাজি ল'লে আৰু সেই দীঘলৰো দীঘল ৰছী-ডালেৰে সৰু-বৰ নানান বিধৰ জাল গুঠিবলৈ ধৰিলে। এইবোৰ কাম কৰি থাকোঁতেই এদিন এটা ডাঙৰ ভালুক পুখুৰী-পাৰৰ গুহা এটাৰ ভিতৰত সোমাই পৰিল।

সৰুৱে যেতিয়া জাল গুঠি আছিল, তেতিয়া সেই পুখুৰীৰপৰা বিকট শব্দ এটা উঠাত সি মূৰ দাঙি চালে। সি দেখা পালে যে—কঁকালৈকে পানীৰ তলত থকা বিৰাটদেহী কিবা এটাই পাথৰ এচটা হাতত লৈ তাৰ পিনে টঁটঁকৈ চাই থিয় হৈ আছে!

এই পুখুৰীটোৰ পানীৰ তলত এটা জল-ৰাক্ষস বাস কৰিছিল। জন-বিশ্বাস আছিল যে—জলৰাক্ষসটোৱে অপাৰ ধন-সোণ পানীৰ তলত সাঁচি থৈছিল।

হালোৱাৰ সৰু ল'ৰাটোৱে ভাবিলে যে এইটো খুব সম্ভৱতঃ সেই জল-ৰাক্ষসটোৰ পো! "আমাৰ পুখুৰী-পাৰতকি কৰি আছা?" জলৰাক্ষসৰ পোৱে সুধিলে।

"মই এই পুখুৰীত জাল পেলাই পানীৰ জন্তু-জানোৱাৰ ধৰিবলৈ চেষ্টা কৰিছোঁ।" হালোৱাৰ সৰু ল'ৰাই ক'লে।

সৰুৰ কথা শুনি জল-ৰাক্ষসৰ পোৱে টুপুংকৈ ডুব দি পুনৰ পুখুৰীৰ তলা পাই তাৰ বাপেক জল-ৰাক্ষসক সৰুৰ সকলোবা কথাবোৰকে ফঁহিয়াই ক'লে।

"অঁ!" জল-ৰাক্ষসে তাৰ পুতেকক ক'লে, সি এইবোৰ কাম কৰাটো সঁচা। আৰু—এনেকৈয়েই যে এদিন তয়ো তাৰ জালত নপৰিবি, বা মেয়ো নপৰিম, তাৰ কোনো মানে নাই। যেই কি নহওক, তই পুনৰ তালৈ যা আৰু তাক যেনেতেনে তোৰ লগত পুখুৰীৰ পাৰৰ এজোপা গছৰ ওপৰত উঠাই ল'। তাৰ পাছত—গছৰ ওপৰত বহি ইকথা-সিকথা কৈ-থাকোঁতে মাৰ জোৰেৰে ঠেলা—পৰক সি বাগৰি পুখুৰীলৈ, আৰু ডুবক। পাছৰখিনি মই



কৰিম দে।" জল-ৰাক্ষসে ক'লে।

জল-ৰাক্ষসৰ পুতেক পানীৰ তলৰপৰা ওপৰলৈ উঠি আহিল আৰু সৰুক ক'লে, "হেৰা, এটা কাম কৰোঁ আহাঁ, তুমি আৰু মই এজোপা গছত উঠি চাওঁগৈ ব'লা।"

"মই এতিয়া নোৱাৰিম। মোৰ এই ভাইটিক লৈ যোৱা, বেগাই গছ বগাব পাৰিব।" এই বুলি কৈ গৰু সৰুৱে সেই কেৰ্কেটুৱাটোক এৰি দিলে আৰু কেৰ্কেটুৱাটোৱে নিমিষতে গছৰ মূধ পালেগৈ, য'ত জল-ৰাক্ষসৰ পো-ই উঠিব নোৱাৰিলে।

তেতিয়া সি আকৌ পানীৰ তলী পালেগৈ আৰু তাৰ দেউতাকক সকলো বৃত্তান্ত ক'লেগৈ। শুনি দেউতাকে ক'লে, "যা যা, আকৌ যা। এইবাৰ হালোৱাৰ পো-ক ক'গৈ তোৰ লগত পুখুৰীৰ পাৰত সি দৌৰৰ বাজি মাৰক। যেতিয়া সি দৌৰি দৌৰি ভাগৰি পৰিব, তাক পানীলৈ বগৰাই দিবি। তাৰ পাছত মই চাম।"

কিন্তু এইবাৰ জল-ৰাক্ষসৰ পো-ক হালোৱাৰ সৰুৱে ক'লে, "মই আন কামত ব্যস্ত হৈ আছোঁ। তুমি মোৰ এই ভাইটিৰ লগত দৌৰি ফুৰাচোন চাওঁ—?" এই বুলি কৈ সি সজাৰপৰা শহাটোক এৰি দিলে, আৰু শহাই নিমিষতে পুখুৰীৰ পাৰেদি তিনি পাক মাৰি তিনি জঁাপ মাৰিলে। তিমানতে জল-ৰাক্ষসৰ পো তাৰপৰা নোহোৱা হৈছিলেই।

এইবাৰ জল-ৰাক্ষসে তাৰ পো-ক ক'লে, "তই তাক তোৰ লগত মালযুঁজ দিবলৈ ক'গৈ। তেতিয়া তাৰ বুকুৰ কামিহাড়বোৰ টুকুৰা কৰি তাক পানীলৈ বগৰাই দিবি। পাছৰ কামখিনি মই চাম।"

জল-ৰাক্ষসৰ পো আকৌ পাৰলৈ গ'ল আৰু তাক মালযুঁজলৈ আহ্বান জনালে। তেতিয়া সৰুৱে ক'লে, "মই কামত ব্যস্ত হৈ আছোঁ। তুমি সৌ গুহাটোৰ ভিতৰলৈ যোৱা। তাত মোৰ ককাইদেউ আছে, যুঁজাগৈ।"

জল-ৰাক্ষসৰ পো গুহাৰ ভিতৰলৈ সোমোৰাৰ লগে লগেই গুহাৰ ভিতৰত থকা প্ৰকাণ্ড ভালুকটোৱে তাক গবা মাৰি ধৰি তুলি আছাৰ মাৰি জোঙা জোঙা নখেৰে আঁচুৰি বেজিহেন জোঙা জোঙা দাঁতেৰে কামুৰি কামুৰি গুহাৰপৰা গুৰিয়াই উলিয়াই দিলে। বহু কষ্টেৰে জল-ৰাক্ষসৰ পো পুখুৰীৰ তললৈ গ'ল আৰু সকলো কথা দেউতাকক ক'লেগৈ।

শুনি জল-ৰাক্ষসৰ কলিজা কঁপি উঠিল। সি ক'লে, "বোপা, এই মানুহৰ পোৱালিটো অতি ভয়ানক দেখিছোঁ। তই এইবাৰ ধন-সোণ কিছুখিনি লৈ যা আৰু তাকে এইখিনি দি ক'গৈ যা যে—সি আমাৰ পুখুৰী এৰি গুচি যাওক। নহ'লে—সি তাৰ ৰছীৰ জালত নিশ্চয় কোনোবাদিনা আমাকো বন্ধ কৰি বন্দী কৰিবই দেখিছোঁ।"

বাপেকৰ কথামতে ধন-সোণ লৈ জল-ৰাক্ষসৰ পুতেক পুখুৰীৰ পাৰ পালেগৈ।

সকৰে ক'লে, "এইখিনিৰে নহ'ব, নেযাওঁ মই পুখুৰীৰ পাৰ এৰি।"

তেতিয়া জল-ৰাক্ষসৰ পোৱে পুনৰ দ'মে দ'মে সোণ লৈ আহিল আৰু সৰুক ক'লে, "শুনা, আমাৰ ওচৰত আৰু একোৱেই নাই। আমাৰ সৰ্বস্ব তোমাক দিলোঁ। এইবোৰ পাৰ এৰি আমাক পাৰ কৰা ঈশ্বৰ!"

এইবাৰ সৰুৱে দ'মে দ'মে সোণ লৈ তাৰ ঘৰ পালেগৈ।

"ইমান সোণ!" ডাঙৰে সুধিলে। মাজুৱে সুধিলে, "ক'ত পালি তই?

"এই ৰছীৰ যহতে।" সৰুৱে তাৰ ককায়েকহঁতক ক'লে।

লগে লগে সেই ৰছীডাল সৰুৰপৰা একেচাবে কাঢ়ি লৈ ডাঙৰ আৰু মাজু ক'লৈ যে নিপাত্তা হৈ গ'ল, কোনেও আজিলৈকে পাত্তা পোৱা নাই।

'বিশ্বাসে মিলায় বস্তু'

সুৰেন্দ্ৰনগৰৰ ৰাজবংশৰ ঐতিহ্যবাহী পুৰোহিত জাধোজীভট্টই প্ৰতিদিন ৰাজ-প্ৰসাদলৈ নগৈছিল। তেওঁ আছিল নব্বৈ বছৰীয়া বৃদ্ধ। তেওঁৰ হৈ তেওঁৰ ভতিজা ল'ৰা বল্লভজীয়ে পূজাৰ কাম-বনখিনি চম্ভালিছিল। পিছে — বছৰেকত মাত্ৰ এদিন তেওঁ তেওঁৰ মাননীখিনি ল'বলৈ ৰজাৰ কাষ চাপিছিল!

এদিন বল্লভজীয়ে জাধোজীক ক'লেহি যে ৰাজকোঁৰদ্বয়ে দেশখন দুভাগত ভগাই ল'ব খুজিছে। ইখনৰ নাম সুৰেন্দ্ৰনগৰেই থাকিব, আনখন দেশৰ নাম হ'ব চূড়ানগৰ। ৰাজকোঁৰৰ দুজনৰ নাম হ'ল যথাক্ৰমে অৰ্জুন সিং আৰু সবল সিং। বৰ্তমান দেশখনক দুভাগেৰে ভগাই ভায়েক-ককায়েকে বেলেগে বেলেগে ৰজা উঠিব, ৰাজত্ব চলাব। যিভাগত সুৰেন্দ্ৰনগৰ আছিল, সেইভাগ আছিল সুসমৃদ্ধ। গতিকে — দুয়োকো সুৰেন্দ্ৰনগৰ লাগে। তাৰ কাৰণেহে হেনো সমস্যাৰ সৃষ্টি হৈছে।

পাছদিনা জাধোজীভট্টই হঠাৎ ৰাজ-সভা ওলালগৈ। এনে অসময়ত তেওঁক অহা দেখি সকলোটি অবাক হ'ল। জাধোজীয়ে ৰাজকোঁৰদ্বয়ক লগত লৈ এটা কক্ষলৈ সোমাই গ'ল।

ৰাজকোঁৰদ্বয়ে বৃদ্ধ জাধোজীক, ক'লে, কিয়নো ইমান কষ্ট কৰি আহিল? মতাই পঠোৱাহেঁতেন আমিয়েই গ'লোহেঁতেন্।"

"মই খবৰ এটা পাই তোমালোকক আশীৰ্বাদ কৰিবলৈ আহিছোঁ। শুনিলোঁ— তোমালোকে এই দেশখনক বোলে দুটুকুৰা কৰিবা।" জাধোজীয়ে ক'লে।

'গুজৰাটী লোক-কাহিনী'

ডাণ্ডৱ ৰাজকোঁৱৰ অৰ্জুন সিঙে ক'লে, "কেনেকৈ যে ভগোৱা হ'ব—এতিয়ালৈকে খাটাং হোৱা নাই। এইবিষয়ত আপোনাৰ মতামত জানিব পৰাহেঁতেন আমি বৰ ভাল পালোহেঁতেন।"

"এই বিষয়ত মোৰ পক্ষে মন্তব্য কৰা টান। ৰাজনীতিৰ কথাত ভাগ লোৱাঁৰ ইচ্ছাও মোৰ নাই। মই পূজাৰী, লোকৰ, যিকোনো মানুহৰ শুভ কামনা মোৰ কাম। তোমলোকৰ মংগল হওক—এয়ে মোৰ আন্তৰিক ইচ্ছা।" জাধোজীয়ে ক'লে।

"আপুনি আমাৰ শুভাৰ্থী কাৰণেহে আপোনাৰ মতামত আনাক লাগে। আপুনি আমাক যি ক'ব মানিম, যেনেকৈ যি কৰিবলৈ ক'ব তাকে কৰিম।"

কেইমুহূৰ্তমান মনে মনে থকাৰ পাছত বৃদ্ধ পুৰোহিত জাধোজীয়ে ক'লে, "মই তোমালোকক সৰু কাহিনী এটা কওঁ শুনা। প্ৰাচীনকালত এগৰাকী ঋষিৰ দুজন শিষ্য আছিল। শিষ্য দুজনে এযুগ—মানে বাৰ বছৰ ধৰি ঋষিৰ তথা গুৰুৰ সেৱা কৰি তেওঁৰপৰা সৰ্ববিদ্যা শিকি লোৱাৰ অন্তত এদিন গুৰুৰপৰা বিদায় খুজিলে। তেতিয়া গুৰুৱে জুহালৰপৰা ছাই এমুঠিকৈ দুয়োজন শিষ্যক দিলে। এজন শিষ্যই লগে লগে সেই ছাই মুঠি খাই পেলালে, আৰু আন শিষ্যজনে ছাই মুঠি দলিয়াই পেলালে। যিজন শিষ্যই



গুৰুত বিশ্বাস স্থাপন কৰি ছাইখিনি খাই পেলাইছিল, সেইজনে আগলৈ বিৰাট পণ্ডিত হিচাপে খ্যাতি আৰ্জিছিল ; কিন্তু যিজনে ছাইমুঠি দলিয়াই পেলাইছিল তেওঁৰ মূৰৰ বিকৃতি ঘটিছিল। তেওঁ তেতিয়াৰপৰ গুৰু-নিন্দাত ধৰিলে।"

ইমানলৈকে কোৱাৰ অন্তত এখন্তেক ৰৈ জাধোজীয়ে পুনৰ ক'লে, "তোমালোকে যদি মোক নিন্দা নকৰা, তেনেহ'লে মই দেশভাগৰ বিষয়ে কালিলৈ তোমালোকলৈ পৰামৰ্শ আগবঢ়াব পাৰোঁ। মই যেনেকুৱা উপায়ৰ কথা ক'ম, মাত্ৰ তোমালোকে ভাবি চালেই হ'ল।"

পাছদিনাও জাধোজী ৰাজপ্ৰাসাদলৈ গ'ল আৰু অলপ সময়ৰ পাছত জাধোজীয়ে ৰাজকোঁৱৰদ্বয়ক ক'লে, "মই দুটুকুৰা কাগজত 'সুৰেন্দ্ৰনগৰ' আৰু 'চূড়ানগৰ' লিখি লৈ আহিছোঁ। কাগজ দুটুকৰা দেখাত হুবহু এক। মই ভাঁজ কৰি অনা কাগজ দুটুকুৰা তোমালোকৰ আগত দাঙি ধৰিম। যিজনে যিটুকুৰা ল'বা, সেইজনে বিনা বাক্যব্যয়ে সেইখন দেশত ৰাজত্ব কৰিবা।"

অৰ্জুন সিঙে চকুৰ পচাৰ নৌপৰোঁতে এটুকুৰা কাগজ জাধোজীৰ হাতৰপৰা নি মুখত ভৰাই গিলি পেলালে।

ভায়েক সবল সিঙে ক'লে, "এয়ানো কি কৰিলা ককাইদেউ? সেই কাগজ টুকুৰাত কি লিখা আছিল তাকো নেদেখিলা দেখোন। কেনেকৈ কি হ'ব?"

"ইটুকুৰা কাগজত যিখন দেশৰ নাম লিখা নাথাকিব, সেইখন দেশ হ'ব মোৰ —হ'বনে?" অৰ্জুন সিঙে ক'লে।

সবল সিঙে কাগজটুকুৰা খুলি চালে। তাত চূড়ানগৰৰ নাম লিখা আছিল।

গুজৰাটৰ অধিবাসীসকলে আজিও ভাবে যে—বৃদ্ধ জাধোজীভট্টই দুয়ো টুকুৰা কাগজতে চূড়ানগৰৰ নাম লিখি আনিছিল।

পৃথিৱীৰ আটাইতকৈ ডাঙৰ বেং পশ্চিম আফ্ৰিকাতস্থিত গোলিয়াত জাতৰ ভেকোলাবোৰ ৮১'৫ চেণ্টিমিটাৰ (৩২'০৮ ইঞ্চি) লৈকে ডাঙৰ হয়। আটাইতকৈ ডাঙৰ ভেকোলা এটাৰ ওজন ৩,৩০৬ গ্ৰামলৈকে (৭ পাঃ ৪'৫০ আঃ) হয়।

ষ্টিকিলবেক নামৰ মতা মাছে তাৰ মাইকীয়ে কণী পৰাৰ বাবে পানীৰ তলতে বাহ সাজে!



বিভিন্ন আহিলা-পাতি ব্যৱহাৰ কৰিবপৰা স্তন্যপায়ী জীৱবিলাকৰ মাজত অন্যতম হ'ল সাগৰৰ উদ। এই উদবোৰে পানীৰ ওপৰত পিঠি দি চিং হৈ ওপৰমুৱা হৈ সাঁতুৰি বুকুৰ ওপৰত ডাঙৰ আকাৰৰ শিলৰ টুকুৰা ৰাখি সেই শিলক নিয়াৰিৰ দৰে ব্যৱহাৰ কৰি সৰু সৰু মাছ মাৰি খায়।

অতিকৈ মৰমৰ এই উপহাৰ
দিয়েনে কি ভাবি চাওক
প্ৰৱাসুৱা হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক

অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্, মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি :

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৭৫·০০ টকা * উৰা-জাহাজ যোগে ১৫০·০০ টকা

ফ্ৰান্স, ছিংগাপুৰ, ইংলেণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮১·০০ টকা * উৰা-জাহাজ যোগে ১৫০·০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

ছাকুলেশ্যন মেনেজাৰ
চান্দমামা পাবলিকেশ্যনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৯ চনৰ অকট'বাৰ সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৯ চনৰ অগাস্ট মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'স্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৯ চনৰ জুন মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : খেলোঁ আহাঁ লগে-ভাগে

দ্বিতীয় ফটো : কান্দিব কিয়নো লাগে

পুৰস্কাৰ প্ৰাপক : গীতিকা দত্ত, নিৰ্মালি গাঁও, ডিব্ৰুগড়, অসম।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা
ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :
DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026
নাইবা
Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

JUNIOR
QUEST

Where finding out is fun

In Your July Issue....

Meet Hafez, the Iranian boy
Swoop with the birds of prey
Whip up an omelette
Blow up a balloon mask
Identify the unknown solution
Learn how Chaplin made us laugh

Plan Your School Year The JQ Way!

PRICE RS. 5/-

BUY TODAY

A Chandamama Vijaya Combines publication

লোভনীয়
আমৰ ফ্ৰুট বাৰ
কৰা হ'ল
সজীৱতা
অক্ষুণ্ণ থকাকৈ
পেক কৰা
nutrine
Naturo
MANGO FRUIT BAR
nutrine
Naturo
MANGO FRUIT BAR
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
এতিয়া, আমৰ বতৰ
বছৰটোত বাৰ মাহেই।
ইমান সুবিধা...ইমান সোৱাদ!